# <u>প্ৰধান সম্পাদকৰ বিজ্ঞপ্তি</u>

(২০০৯-২০১০ বৰ্ষ)

**সমীপেষু,**

**জিলা সাহিত্য সভা আৰু শাখা সাহিত্য সভাৰ সভাপতি আৰু সম্পাদকসকল**

নিৱেদন,

পত্ৰে সাদৰ-সম্ভাষণ গ্ৰহণ কৰিব।

আপোনাসৱে দিয়া দায়িত্ব অনুসৰি অসম সাহিত্য সভাৰ মাননীয় সভাপতি পদ্মশ্ৰী শ্ৰীৰংবং তেৰাঙৰ নেতৃত্বত অসম সাহিত্য সভাৰ ইং ২০০৯-২০১১ বৰ্ষৰ কাৰ্যনিৰ্বাহক সভাই ইতিমধ্যে প্ৰাৰম্ভিক বৈঠক আৰু প্ৰথম পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সভা আহ্বান কৰি এক সুবিস্তৃত আঁচনি প্ৰস্তুত কৰিছে। প্ৰথম পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সভা যোৱা ২ এপ্ৰিল, ২০০৯ তাৰিখে যোৰহাটৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ ৰাধাকান্ত সন্দিকৈ ভৱনত অনুষ্ঠিত হোৱাৰ আগতে সেই একে স্থানতে ১ এপ্ৰিল ২০০৯ খ্ৰীষ্টাব্দ তাৰিখে যোৰহাট জিলা সাহিত্য সভাৰ সহযোগত প্ৰত্যেকখন জিলা সাহিত্য সভাৰ সভাপতি আৰু সম্পাদকসকলক লৈ সাংগঠনিক সভা অনুষ্ঠিত কৰা হয়। এই সাংগঠনিক সভাই আগবঢ়োৱা পৰামৰ্শসমূহ পাছদিনা অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভাত সিদ্ধান্ত আকাৰে গ্ৰহণ কৰা হয়।

এই সিদ্ধান্তসমূহ আপোনালোকৰ জ্ঞাতাৰ্থে আৰু কাৰ্যকৰী কৰাৰ বাবে আপোনালোকলৈ প্ৰেৰণ কৰিলোঁ।

ইয়াৰ আগতে ধেমাজিত অনুষ্ঠিত অসম সাহিত্য সভাৰ সপ্তৃতিতম অধিৱেশনৰ মুকলি সভাত মাননীয় সভাপতি শ্ৰীৰংবং তেৰাংদেৱে আগবঢ়োৱা সভাপতিৰ অভিভাষণৰ ওপৰত ভিত্তি কৰি আমি ইতিমধ্যে এক সুবিস্তৃত কৰ্মআঁচনি প্ৰস্তুত কৰিছোঁ। অকল এয়ে নহয়, মাননীয় সভাপতি মহোদয়ৰ নেতৃত্বত অসমৰ ইমূৰৰ পৰা সিমূৰলৈ আমি ঘূৰি ফুৰোঁতে সততে জিলা আৰু শাখাসমূহৰ সাংগঠনিক দিশতো গুৰুত্ব আৰোপ কৰিছোঁ। যিসমূহ জিলা সভাই মাননীয় সভাপতি আৰু আমাক বিভিন্ন উপলক্ষ্যত নিমন্ত্ৰণ কৰিছে - তেখেতসকলে নিশ্চয় এই কথাত গুৰুত্ব দিছে। অকল এয়ে নহয় আমাৰ মাননীয় সভাপতি মহোদয়ক সাহিত্য সভাৰ উপৰিও অন্যান্য অনুষ্ঠান প্ৰতিষ্ঠানে আমন্ত্ৰণ কৰোঁতেও আমি সংশ্লিষ্ট জিলা আৰু শাখাসমূহক আমাৰ যাত্ৰাৰ সৈতে জড়িত কৰিছোঁ।

মাননীয় সভাপতি মহোদয়ৰ নেতৃত্বত আমি বিভিন্ন জিলা আৰু শাখাসমূহলৈ যোৱা থুলমূল তথ্য এনেধৰণৰ—

| | | |
|---|---|---|
| ১৪ মাৰ্চ '০৯ | ঃ | বিয়লি ৩-০০ বজাত সভাপতি মহোদয়ৰ দ্বাৰা তেজপুৰ ৰাষ্ট্ৰীয় গ্ৰন্থমেলা উদ্বোধন। |
| ১৫ মাৰ্চ '০৯ | ঃ | পুৱা ১০-০০ বজাত তেজপুৰ সাহিত্য সভাৰ দ্বাৰা আয়োজিত সম্বৰ্ধনা অনুষ্ঠানত যোগদান। |
| ২২ মাৰ্চ '০৯ | ঃ | শিমলুতোলাত দিনৰ ১ বজাত গোলাঘাট জিলা সাহিত্য সভাৰ অধিৱেশনত যোগদান। |

*সিপিঠিত ..*

| | | |
|---|---|---|
| ২৩ মাৰ্চ '০৯ | ঃ | দুপৰীয়া ১ বজাত লংকাত নগাঁও জিলা সাহিত্য সভাৰ অধিৱেশনত যোগদান। |
| ২৫ মাৰ্চ '০৯ | ঃ | বিন্দুগুৰিত শোণিতপুৰ জিলা সাহিত্য সভাৰ অধিৱেশনত যোগদান। |
| ২৬ মাৰ্চ '০৯ | ঃ | গোলাঘাট জিলাৰ দৈয়াংপাৰত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় অনুষ্ঠান 'সাহিত্য দিৱস' উদ্‌যাপন। |
| ২৮ মাৰ্চ '০৯ | ঃ | পুৱা ১০ বজাত সদৌ অসম ছাত্ৰ সন্থাৰ বিষয়ববীয়াৰ সৈতে ভাব-বিনিময়। দিনৰ ১১ বজাত অসম যুৱ ছাত্ৰ পৰিষদ তথা অন্যান্য অনুষ্ঠানৰ সৈতে ভাব-বিনিময়। বিয়লি ৫ বজাত মাছখোৱাৰ সাংস্কৃতিক প্ৰকল্পত সভাপতি মহোদয়ে অসম উপত্যকা সাহিত্য বঁটা গ্ৰহণ কৰে। |
| ২৯ মাৰ্চ '০৯ | ঃ | পুৱা ১০ বজাত গুৱাহাটীত নুমলীগড় সাহিত্য সভাৰ 'ৰেবচাইট' উদ্বোধনী অনুষ্ঠানত যোগদান। দুপৰীয়া ১২ বজাত গোৰেশ্বৰলৈ গৈ কামৰূপ জিলা সাহিত্য সভাৰ অধিৱেশনত যোগদান। |
| ১ এপ্ৰিল '০৯ | ঃ | দিনৰ ১১ বজাত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয়ত দায়িত্বভাৰ গ্ৰহণ অনুষ্ঠানত যোগদান। দিনৰ ১২ বজাত সমধৰ্মী সাহিত্য সভাৰ সভাপতিসকলৰ সৈতে ভাব-বিনিময় অনুষ্ঠান। বিয়লি ৪ বজাত জিলা সাহিত্য সভাসমূহৰ সভাপতি আৰু সম্পাদক সকলৰ সৈতে সাংগঠনিক সভা। |
| ২ এপ্ৰিল '০৯ | ঃ | দিনৰ ১১ বজাত অসম সাহিত্য সভাৰ ২০০৯-২০১১ বৰ্ষৰ কাৰ্যনিৰ্বাহক সমিতিৰ প্ৰথম পূৰ্ণাংগ অধিৱেশন। |
| ৩ এপ্ৰিল '০৯ | ঃ | প্ৰধান সম্পাদকৰ মাজুলিত ভাওনা সমাৰোহত যোগদান। |
| ৪ এপ্ৰিল '০৯ | ঃ | পুৱা ৬ বজাত নুমলীগড়লৈ যাত্ৰা। নুমলিগড় সাহিত্য সভাৰ অধিৱেশনত যোগদান। সন্ধিয়া নুমলীগড় তেল শোধনাগাৰ কৰ্তৃপক্ষৰ সৈতে ভাব-বিনিময়। |
| ১১ এপ্ৰিল '০৯ | ঃ | পুৱা গোৱালপাৰালৈ যাত্ৰা। দিনৰ ১ বজাত গোৱালপাৰা জিলা সাহিত্য সভাৰ অধিৱেশনত যোগদান। |
| ১২ এপ্ৰিল '০৯ | ঃ | দিনৰ ১ বজাত মদাৰতলাত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় অনুষ্ঠান 'নৰনাৰায়ণ দিৱস'ত যোগদান। |
| ১৪ এপ্ৰিল '০৯ | ঃ | পুৱা লতাশিল খেলপথাৰত সভাপতি মহোদয়ৰ দ্বাৰা ৰঙালী বিহুৰ পতাকা উত্তোলন কাৰ্য সম্পাদন। |
| ৮ মে' ০৯ | ঃ | আবেলি ৩ বজাত ওদালগুৰিত বিহু উছৱ আৰু সভাপতি মহোদয়ক সম্বৰ্ধনা অনুষ্ঠান। |
| ৯ মে' ০৯ | ঃ | পুৱাৰ ভাগত লক্ষীমপুৰ জিলা সাহিত্য সভাৰ দ্বাৰা আয়োজিত সম্বৰ্ধনা অনুষ্ঠানত যোগদান । আবেলি লক্ষীমপুৰত বিহু উছৱত যোগদান। |
| ১০ মে' ০৯ | ঃ | পুৱা ঢকুৱাখনাৰ ফাটবিহুৰ কাৰ্যসূচীত যোগদান। ঢকুৱাখনা সাহিত্য সভা প্ৰমুখ্যে ওচৰ চুবুৰীয়া শাখা সভাৰ তৰফৰ পৰা সভাপতি মহোদয়ক সম্বৰ্ধনা। |
| ১১ মে' ০৯ | ঃ | পুৱা লক্ষীমপুৰ জিলা সাহিত্য সভাৰ অনুষ্ঠানত যোগদান। আবেলি অৰুণাচলৰ ইটানগৰলৈ যাত্ৰা। |
| ১২ মে' ০৯ | ঃ | ইটানগৰত অৰুণাচল লিটাৰেৰী ছ'চাইটীৰ দ্বাৰা সম্বৰ্ধনা আৰু ভাব-বিনিময় অনুষ্ঠানত যোগদান। |

*পিপিঠিত ..*

| | | |
|---|---|---|
| ১৫ মে’ ০৯ | ঃ | সোণাৰিত জনগোষ্ঠীয় বিহু উছৱত যোগদান। নাজিৰাত বিহু উছৱত যোগদান |
| ১৬ মে’ ০৯ | ঃ | শিৱসাগৰ জিলা সাহিত্য সভাৰ অনুষ্ঠানত যোগদান। |
| ২৩ মে’ ০৯ | ঃ | যোৰহাট সাহিত্য সভাৰ সহযোগত গণেশ গগৈ আৰু আনন্দ চন্দ্ৰ বৰুৱাৰ জন্ম শতবাৰ্ষিকীৰ সামৰণী অনুষ্ঠান সম্পন্ন। |
| ২৪ মে’ ০৯ | ঃ | ডিমাপুৰত বিহু উছৱত যোগদান। |
| ২৫ মে’ ০৯ | ঃ | ক’হিমাত ক’হিমা সাহিত্য সভাৰ অনুষ্ঠানত যোগদান লগতে নাগালেণ্ডৰ উচ্চ শিক্ষা মন্ত্ৰীৰ মহোদয়ৰ ঘৰত আতিথ্য গ্ৰহণ। |
| ১ জুন ’০৯ | ঃ | গুৱাহাটীৰ শ্ৰীশংকৰদেৱ কলাক্ষেত্ৰত লুম্মেৰ দাই সাহিত্য বঁটা প্ৰদান অনুষ্ঠান সম্পন্ন। |
| ৭ জুন ’০৯ | ঃ | ছিপাঝাৰ শাখা সাহিত্য সভাৰ সহযোগত পাৰ্বতিপ্ৰসাদ বৰুৱা স্মৃতি-দিৱস পালন। |
| ২০ জুন ’০৯ | ঃ | দৰং জিলা সাহিত্য সভা আৰু ওদালগুৰি জিলা সাহিত্য সভাৰ সহযোগত কেন্দুকলাই সাহিত্য সভাৰ উদ্যোগত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় বিষ্ণুপ্ৰসাদ ৰাভা দিৱস উদ্‌যাপন। |
| ২১ জুন ’০৯ | ঃ | মৰিগাঁও জিলা সাহিত্য সভাৰ উদ্যোগত মৰিগাঁৱত জনজাতীয় জনগোষ্ঠীয় সাহিত্য সভাৰ অভিৱৰ্তনত যোগদান। |

আমাৰ বিগত সময়ছোৱাত ইতিমধ্যে কেবাটিও কেন্দ্ৰীয় কাৰ্যসূচী তথা বঁটা প্ৰদান অনুষ্ঠান সম্পন্ন কৰিছোঁ। এই সন্দৰ্ভতো চমু প্ৰতিবেদন আপোনালোকৰ জ্ঞাতাৰ্থে অৱগত কৰিলোঁ।

২১ এপ্ৰিল ২০০৯ খ্ৰীষ্টাব্দ তাৰিখে বিশ্ৰুত পণ্ডিত কৃষ্ণকান্ত সন্দিকৈৰ পৱিত্ৰ সোঁৱৰণত অসম সাহিত্য সভাই প্ৰদান কৰি অহা কৃষ্ণকান্ত সন্দিকৈ সাহিত্য বঁটা ২০০৮ বৰ্ষৰ বাবে প্ৰথিতযশা কথা সাহিত্যিক মামণি ৰয়ছম গোস্বামীলৈ আগবঢ়োৱা হয়। সভাৰ সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱা সদনত অনুষ্ঠিত উক্ত বঁটা প্ৰদান অনুষ্ঠানত সভাপতিত্ব কৰে অসম সাহিত্য সভাৰ মাননীয় সভাপতি শ্ৰীৰংবং তেৰাংদেৱে। বিশিষ্ট অতিথি ৰূপে উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক ৰঞ্জিত কুমাৰ দেৱগোস্বামী। তেখেতে পণ্ডিত কৃষ্ণকান্ত সন্দিকৈৰ পাণ্ডিত্যৰ দিশত গভীৰভাৱে আলোকপাত কৰে। আনহাতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ড° মালিনী গোস্বামীয়ে বঁটা পাওতা বিশিষ্ট কথা সাহিত্যিক মামণি ৰয়ছম গোস্বামীৰ সাহিত্যকৃতিৰ এটি তাত্ত্বিক বিশ্লেষণ আগবঢ়ায়।

২৬ মাৰ্চ’ ২০০৯ তাৰিখে গোলাঘাট জিলা সাহিত্য সভাৰ সহযোগত দৈয়াং-পৰীয়া সাহিত্য সভাৰ উদ্যোগত গেলাবিলত অনষ্ঠিত হয় লক্ষ্মীনাথ বেজবৰুৱাৰ মৃত্যু দিৱস উপলক্ষ্যে আয়োজিত সাহিত্য দিৱস। সভাপতি ৰংবং তেৰাংদেৱৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত বিশেষ বক্তৃতা প্ৰদান কৰে প্ৰফুল্লচন্দ্ৰ বৰাই।

১২ এপ্ৰিল ০৯ তাৰিখে মদাৰতলাত সাদৰী সাহিত্য সভাৰ উদ্যোগত নৰনাৰায়ণ দিৱস পালন। সভাৰ সভাপতিত্ব কৰে মাননীয় সভাপতি মহোদয়ে। বিশেষ বক্তৃতা প্ৰদান কৰে ডাঃ অমৰেন্দ্ৰ নাৰায়ণদেৱে।

২৩ মে’ ২০০৯ তাৰিখে অসম সাহিত্য সভাই যোৰহাটস্থিত সভাৰ ৰাধাকান্ত সন্দিকৈ ভৱনত কেন্দ্ৰীয়ভাৱে বকুলবনৰ কবি আনন্দ চন্দ্ৰ বৰুৱা আৰু পাপৰি কবি গণেশ গগৈৰ জন্ম শতবৰ্ষৰ সামৰণি অনুষ্ঠান উদ্‌যাপন কৰে। যোৰহাট জিলা সাহিত্য সভা আৰু যোৰহাট শাখা সাহিত্য সভাৰ সহযোগত অনুষ্ঠিত এই কেন্দ্ৰীয় অনুষ্ঠানৰ মুকলি সভাত সভাপতিত্ব কৰে সভাৰ মাননীয় সভাপতি শ্ৰীৰংবং তেৰাংদেৱে। অনুষ্ঠানত মুখ্য অতিথি

ৰূপে উপস্থিত থাকে অসম সাহিত্য সভাৰ মাননীয় প্ৰাক্তন সভাপতি ড° নগেন শইকীয়াদেৱ। অনুষ্ঠানত দেৱীপ্ৰসাদ বাগ্ৰাদিয়াই অনুবাদ কৰা আনন্দ চন্দ্ৰ বৰুৱা আৰু পাপৰি কবি গণেশ গগৈৰ গীতৰ অনুবাদ গ্ৰন্থ ‘গুলদস্তা’ আৰু স্মৰাকগ্ৰন্থ উন্মোচন কৰে সভাৰ আন এগৰাকী মাননীয় প্ৰাক্তন সভাপতি ড° লক্ষ্মীনন্দন বৰাই।

১ জুন, ২০০৯ খ্ৰীষ্টাব্দ তাৰিখে বিশিষ্ট কথা সাহিত্যিক অৰুণাচলৰ লুম্মেৰ দাইৰ পৱিত্ৰ সোঁৱৰণত নতুনকৈ গঠন হোৱা ন্যাস পুজিৰে ‘লুম্মেৰ দাই সাহিত্য বঁটা’ ২০০৯ বৰ্ষৰ বাবে বিশিষ্টা লেখিকা স্বৰ্ণ বৰালৈ আগবঢ়োৱা হয়। গুৱাহাটী পাঞ্জাবাৰীস্থিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত অনুষ্ঠিত উক্ত বঁটা প্ৰদান অনুষ্ঠানত সভাপতিত্ব কৰে অসম সাহিত্য সভাৰ মাননীয় সভাপতি ৰংবং তেৰাংদেৱে। অনুষ্ঠানত লুম্মেৰ দাইৰ সাহিত্য কৃতি সম্পৰ্কে বক্তৃতা প্ৰদান কৰে বিশিষ্ট সমালোচক অধ্যাপক ড° গোবিন্দপ্ৰসাদ শৰ্মাদেৱে। লগতে বঁটা পাওঁতা স্বৰ্ণ বৰাৰ জীৱন আৰু সৃষ্টিকৰ্মৰ বিষয়ে বক্তৃতা প্ৰদান কৰে বিশিষ্ট সাহিত্যিক উপেন্দ্ৰ বৰকটকীয়ে। লুম্মেৰ দাইৰ সহধৰ্মিণী নান্নী দাই আৰু অৰুণাচল প্ৰদেশ লিটাৰেৰী ছ'চাইটিৰ দহ গৰাকী প্ৰতিনিধি তথা অৰুণাচলৰ সাংস্কৃতিক দলে যোগদান কৰা উক্ত অনুষ্ঠানটি অতি বৰ্ণাঢ্য আৰু সজীৱভাৱে অনুষ্ঠিত হয়।

৭ জুন ২০০৯ খ্ৰীষ্টাব্দ অসম সাহিত্য সভাৰ নিয়মীয়া অনুষ্ঠান ‘গীতিকবি পাৰ্বতিপ্ৰসাদ বৰুৱা স্মৃতি-দিৱস’ এইবেলি কেন্দ্ৰীয়ভাৱে দৰং জিলা সাহিত্য সভাৰ সহযোগত ছিপাঝাৰ সাহিত্য সভাৰ উদ্যোগত ছিপাঝাৰৰ দক্ষিণ চুবুৰি জ্ঞানমালিনী পুথিভঁৰাল প্ৰাংগণত অনুষ্ঠিত কৰা হয়। সভাত সভাপতিত্ব কৰে মাননীয় সভাপতি মহোদয়ে। বিশেষ বক্তৃতা প্ৰদান কৰে ড° মঞ্জুমালা দাসে। সভাৰ শেষত প্ৰণবিৰাম বৰুৱাৰ উদ্যোগত পাৰ্বতিপ্ৰসাদ বৰুৱাৰ গীত আৰু গীতৰ আধাৰত নৃত্যৰ এক বিশেষ সাংস্কৃতিক অনুষ্ঠান ‘জোনাকী মেল’ অনুষ্ঠিত হয়। এই জোনাকী মেল উদ্বোধন কৰে বিশিষ্ট চিকিৎসক ডাঃ ইলিয়াছ আলিয়ে।

২০ জুন, ২০০৯ খ্ৰীষ্টাব্দ তাৰিখে কেন্দুকলাই সাহিত্য সমাজ, দৰং জিলা সাহিত্য সভা আৰু ওদালগুৰি জিলা সাহিত্য সভাৰ সহযোগত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় বিষ্ণুপ্ৰসাদ ৰাভাৰ স্মৃতি দিৱস ওদালগুৰি জিলাৰ কেন্দুকলাইৰ খ্যাতিৰে খ্যাতিমন্ত কলাইগাঁৱত বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। ৰংবং তেৰাংদেৱৰ সভাপতিত্ব অনুষ্ঠিত উক্ত অনুষ্ঠানত মুখ্য অতিথি ৰূপে উপস্থিত থাকে বিশিষ্ট সংগীত শিল্পী সুদক্ষিণা শৰ্মা। বিশিষ্ট অতিথি ৰূপে উপস্থিত থাকে ক্ৰমে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী সুনীতি সোণোৱাল, বিশিষ্ট অভিনেতা নিপন গোস্বামী আৰু সাহিত্য অকাডেমী বঁটা পাওঁতা কথা সাহিত্যিক ড° ৰীতা চৌধুৰী। এই কেন্দ্ৰীয় অনুষ্ঠানত ব্যাসৰ ওজা গুণীৰাম ৰাভা, সুগম সংগীতৰ শিল্পী কণিকা ভট্টাচাৰ্য আৰু লোক-সংগীতৰ শিল্পী ভদ্ৰকান্ত নাথক সম্বৰ্ধনা জনোৱা হয়।

মাননীয় সভাপতি মহোদয়ে অসমৰ ওচৰ চুবুৰীয়া ৰাজ্যসমূহৰ জনসাধাৰণৰ সৈতে সদ্ভাৱ গঢ়ি তোলাৰ বাবে একান্ত ইচ্ছা ব্যক্ত কৰাৰ বাবেই ইতিমধ্যে যোৱা ১১, ১২ মে' তাৰিখে অৰুণাচল আৰু ২৪, ২৫ মে' তাৰিখে নাগালেণ্ডলৈ অসম সাহিত্য সভাই যাত্ৰা কৰে। ‘সদ্ভাৱনা যাত্ৰা’ হিচাপে মাননীয় সভাপতি ৰংবং তেৰাংদেৱৰ নেতৃত্বত যোৱা এই যাত্ৰাৰ শুভ আৰম্ভণি কৰা হয় অৰুণাচলৰ নাহৰলগনত থকা প্ৰখ্যাত ঔপন্যাসিক লুম্মেৰ দাইৰ ঘৰৰ পৰা। ১২ মে' তাৰিখে অৰুণাচল প্ৰদেশ লিটাৰেৰী ছ'চাইটীয়ে অসম সাহিত্য সভাৰ প্ৰতিনিধিবৰ্গক বিপুল সম্বৰ্ধনা জনায়। তাতেই লুম্মেৰ দাই সাহিত্য বঁটা ঘোষণা কৰা হয়। ১ জুন, ২০০৯ খ্ৰীষ্টাব্দ তাৰিখে ঔপন্যাসিক গৰাকীক জন্ম দিনত এই বঁটা প্ৰদান কৰিবৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হয়। ইতিমধ্যে ১ জুন তাৰিখে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত এক বৰ্ণাঢ্য অনুষ্ঠানত প্ৰখ্যাত ঔপন্যাসিক স্বৰ্ণ বৰাক এই বঁটা প্ৰদান কৰা হয়। এই বঁটাত নগদ ২৫,০০০.০০ টকাৰ উপৰিও এটি স্মাৰক, অৰুণাচলৰ পৰম্পৰাগত সাজ এজোৰ, শৰাই আদি প্ৰদান কৰা হয়। এই অনুষ্ঠানত অৰুণাচল চৰকাৰে প্ৰেৰণ কৰা ১৯ জনীয়া সাংস্কৃতিক দল আৰু ১০ জনীয়া বিশিষ্ট

*সিপিঠিত ..*

সাহিত্যিকৰ দলে অংশগ্ৰহণ কৰে। ১০ জনীয়া বিশিষ্ট সাহিত্যিকৰ দলটো হৈছে- ১। টনি কয়ু, উপ-সভাপতি, অৰুণাচল প্ৰদেশ লিটাৰেৰী ছ'চাইটি, ২। টকং পাৰ্টিন, সঞ্চালক, ব্যৱসায় আৰু বাণিজ্য বিভাগ, ৩। টাগে টাডা, সঞ্চালক গৱেষণা বিভাগ, ৪। বি. পাৰ্টিন, উপ-সঞ্চালক, গৱেষণা বিভাগ, ৫। পেগ্ৰা ৰিংগু, জ্যেষ্ঠ চিকিৎসা বিষয়া, ৬। নান্নী দাই, সম্পাদক, ইক' অৱ অৰুণাচল, ৭। বেংগীয়া হেমন্ত, বিশিষ্ট শিল্পী, ৮। মেমগাও দাই, ৯। আম্পী গাও আৰু ১০। গেইন দাই

যোৱা ২১ মে' তাৰিখে ডিমাপুৰ বিহু সন্মিলনীৰ উদ্যেক্তাসকলৰ আহ্বানমৰ্মে মাননীয় সভাপতিৰ নেতৃত্বত এটি দল ডিমাপুৰলৈ যোৱা হয়। সিদিনা দুপৰীয়া অনুষ্ঠিত হোৱা বিহু সন্মিলনীতেই অসম সাহিত্য সভাৰ তৰফৰ পৰা নগা হো হোৰ প্ৰতিনিধি দলটোক বিহু গামোচাৰে ওলগ জনোৱা হয়। আবেলি সভাপতি মহোদয়ৰ সৈতে সাহিত্যিক গোবিন্দ চন্দ্ৰ পৈৰাৰ ঘৰলৈ যোৱা হয়। পৈৰাৰ জীয়ৰী আৰু পুত্ৰই আমাক উষ্ম অভ্যৰ্থনা জনায়। পিছদিনা পুৱা ক'হিমা সাহিত্য সভাৰ আমন্ত্ৰণক্ৰমে আমি ক'হিমালৈ যাত্ৰা কৰোঁ। নাগালেণ্ড চৰকাৰৰ উচ্চ শিক্ষা মন্ত্ৰী মহোদয়ৰ আমন্ত্ৰণক্ৰমে প্ৰথমতে আমি তেখেতৰ বাসভৱনলৈ যাওঁ। তেখেতে আমাৰ দলটোক আদৰণি জনোৱাৰ উপৰিও আমিও আদৰণি জনাওঁ। মন্ত্ৰী মহোদয়ে দুয়োখন দেশৰ সাংস্কৃতিক ভাৱৰ আদান-প্ৰদানত গুৰুত্ব দিয়ে। তেখেতে ক'হিমা সাহিত্য সভা ভৱন সংৰক্ষণ তথা সাংস্কৃতিক কেন্দ্ৰ হিচাপে অসম সাহিত্য সভাই দিয়া প্ৰস্তাৱ গুৰুত্ব সহকাৰে বিবেচনা কৰিব বুলি আশ্বাস দিয়াৰ উপৰিও অসমীয়া ভাষা শিকোৱাৰ বাবে বিদ্যালয় স্থাপনত গুৰুত্ব আৰোপ কৰে। ক'হিমা সাহিত্য সভাই আয়োজন কৰা অন্তৰংগ অনুষ্ঠানত ক'হিমা সাহিত্য সভা ভৱন পুনৰ দীৰ্ঘম্যাদী আঁচনিৰে গঢ়ি তোলাৰ বাবে ৰাধা বৰা আৰু গুলেন গগৈক দায়িত্ব দিয়া হয়। নাৰায়ণ বৰাক এই দীৰ্ঘম্যাদী আঁচনি প্ৰস্তুত কৰিবলৈ দায়িত্ব দিয়া হয়। নাগালেণ্ডত এই সম্ভাৱনা যাত্ৰাত সাহিত্য সভাৰ সভাপতি মহোদয়ৰ উপৰি প্ৰধান সম্পাদক, দেৱপ্ৰসাদ তালুকদাৰ, ভবানীপ্ৰসাদ অধিকাৰী, মাণিক আহমেদ, গুলেন গগৈ, বিদুল বৰুৱা, মঞ্জু বৰাই অংশগ্ৰহণ কৰে।

যোৱা ১ এপ্ৰিল ২০০৯ খ্ৰীষ্টাব্দ তাৰিখে যোৰহাট জিলা সাহিত্য সভাৰ সহযোগত বিভিন্ন জিলা সাহিত্য সভাৰ সভাপতি আৰু সম্পাদকসকলক লৈ প্ৰথম বিশেষ সাংগঠনিক সভা মাননীয় সভাপতি শ্ৰীৰংবং তেৰাংদেৱৰ সভাপতিত্বত অনুষ্ঠিত হয়। এই সভাত গৃহীত বিভিন্ন সিদ্ধান্ত আৰু পৰামৰ্শাৱলী এনেধৰণৰ-

√ সকলো চৰ্ত পূৰণ কৰা নতুন শাখা সাহিত্য সভাকহে জিলা সাহিত্য সভাই অনুমোদন দিব আৰু জিলা সভাৰ কাৰ্যালয়ে বৰঙণি আৰু অন্যান্য নথি-পত্ৰ কেন্দ্ৰীয় কাৰ্যালয়ত জমা দিয়াৰ ব্যৱস্থা প্ৰৱৰ্তন কৰা হওক। উল্লেখ্য যে কেন্দ্ৰীয় সমিতিত থকা জিলা প্ৰতিনিধি গৰাকীৰ এটি টোকাও ইয়াৰ লগত প্ৰেৰণ কৰিব লাগিব আৰু শাখাখন ভুৱা বুলি প্ৰমাণিত হ'লে সংশ্লিষ্ট জিলা সভা দায়ী হ'ব।

√ কেন্দ্ৰীয় সমিতিয়ে শাখা সভালৈ প্ৰেৰণ কৰিবলগীয়া সকলো চিঠি-পত্ৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ পৰা আঞ্চলিক কাৰ্যালয় আৰু আঞ্চলিক কাৰ্যালয়ৰ পৰা জিলা সভাৰ কাৰ্যাললৈ প্ৰেৰণ কৰা হওক। উল্লেখ্য যে জিলা সভাই শাখা সভাসমূহে চিঠি-পত্ৰ পোৱাৰ ব্যৱস্থা কৰিব।

√ নিম্নলিখিত তথ্যসমূহ এটা ফাইলত ভৰাই কেন্দ্ৰীয় কাৰ্যালয়ত জমা দিয়াৰ ব্যৱস্থা প্ৰৱৰ্তন কৰা হওক।
**ফাইলত থাকিবলগীয়া নথিসমূহ -**
১। ২০০৯-২০১১ বৰ্ষৰ কাৰ্যনিৰ্বাহক সমিতিৰ তালিকা
২। ২০০৭-২০০৯ বৰ্ষলৈ নিয়মীয়া শাখা সভাৰ তালিকা (সভাপতি আৰু সম্পাদকৰ নাম-তালিকাসহ)

*সিপিঠিত ..*

৩। ২০০৯-২০১১ বৰ্ষৰ জিলা সাহিত্য সভাৰ বৰ্ষ আঁচনি
৪। জিলা সভাপতি, উপ-সভাপতি, সম্পাদকৰ যোগাযোগৰ ঠিকনা (দূৰভাষ নম্বৰসহ)

√ আন্তঃৰাজ্যিক ভাবৰ আদন-প্ৰদানৰ বাবে সাংস্কৃতিক বিনিময়ৰ বিশেষ কাৰ্যসূচী গ্ৰহণ কৰা হওক। এই কাৰ্যসূচীত অংশগ্ৰহণকাৰী ৰূপে প্ৰতি জিলাৰ/শাখাৰ নবীন-প্ৰবীণ সাহিত্যিকৰ নিৰ্বাচিত ১০ জনীয়া তালিকা এখন অসম সাহিত্য সভাৰ কাৰ্যালয়লৈ প্ৰেৰণ কৰিবলৈ জনোৱা হওক। উল্লেখ থাকে যে শ্ৰেষ্ঠ নিৰ্বাচিত জিলা আৰু শাখাই অতিৰিক্ত ৫ জনকৈ সদস্য প্ৰেৰণ কৰিব পাৰিব।

√ যুৱ গৱেষকলৈ প্ৰতিমাহে ১০০০/- (এক হাজাৰ) টকাকৈ ফেল'শ্বিপ প্ৰদান কৰা হওক। স্থায়ী ন্যাস পুঁজি গঠনৰ জৰিয়তে প্ৰয়োজনীয় ধনৰ ব্যৱস্থা কৰা হওক। পি-এইচ.ডি আৰু এম.ফিল.ৰ কাৰণে অসম তত্ত্ব গৱেষণা কেন্দ্ৰৰ জৰিয়তে এই ফেল'শ্বিপ প্ৰদানৰ ব্যৱস্থা কাৰ্যকৰী কৰা হওক।

√ নিম্ন মধ্যবিত্ত শ্ৰেণীৰ নবীন লেখকলৈ গ্ৰন্থ প্ৰকাশৰ বাবে ৩০০০/- (তিনি হাজাৰ) টকাকৈ নগদ ধন এককালীন হিচাপে আগবঢ়োৱাৰ ব্যৱস্থা কৰা হওক। নবীন লেখকৰ কমেও ১৫ খন নিৰ্বাচিত গ্ৰন্থ অসম সাহিত্য সভাৰ তৰফৰ পৰা প্ৰকাশৰ ব্যৱস্থা কৰা হওক। ইয়াৰ বাবে এখন সুকীয়া উপ-সমিতি গঠনৰ বাবে প্ৰধান সম্পাদকক সভাই দায়িত্ব প্ৰদান কৰে। জিলা আৰু শাখা সভাসমূহে এই ক্ষেত্ৰত বিশেষ তৎপৰতা গ্ৰহণ কৰক।

√ অসম সাহিত্য সভাৰ ৱেবছাইট আনুষ্ঠানিকভাৱে মুকলি কৰি ইয়াৰ জৰিয়তে প্ৰবাসী ভাৰতীয় সকলক সভ্যৰূপে ভৰ্তি কৰাৰ উপৰিও ইণ্টাৰনেটৰ জৰিয়তে সাহিত্য সভাৰ সকলো বিষয় উপলব্ধ হ'ব পৰা ব্যৱস্থা হাতত লোৱা হওক।

√ অসম সাহিত্য সভাৰ দ্বাৰা 'অসম লেখক কোষ' প্ৰকাশ কৰা হওক। উল্লেখ্য যে সকলো জিলাৰ সহায় আৰু সহযোগত প্ৰকাশ হ'বলগীয়া এই গ্ৰন্থৰ প্ৰথম খণ্ডটি আগন্তুক ৰ'থাতলাংছ' অধিৱেশনত প্ৰকাশ কৰা হওক। প্ৰত্যেক জিলা সভাই 'অসম লেখক কোষ'ৰ বাবে এখনি উপ-সমিতি গঠন কৰক।

√ সভাৰ সকলো জিলা সভাৰ উদ্যোগত প্ৰত্যেক জিলাৰ একোখনকৈ সাংস্কৃতিক ইতিহাস প্ৰকাশৰ বাবে প্ৰতিখন জিলা সভাক দায়িত্ব দিয়া হওক।

√ অসমৰ চুকে-কোণে বিভিন্ন ঠাইত ভুল বানানেৰে দেৱাল লিখন, নাম-ফলক লগোৱা বিজ্ঞাপন প্ৰচাৰ কৰা আদি বন্ধ কৰাৰ বা শুধৰণি কৰিবৰ বাবে প্ৰতিখন জিলাতে একোখন ভাষা বিশেষজ্ঞ সমিতি গঠন কৰি দায়িত্ব দিয়া হওক।

√ যোৰহাটৰ কেন্দ্ৰীয় কাৰ্যালয়ক মুখ্য কাৰ্যালয় হিচাপে লৈ অসম সাহিত্য সভাৰ আটাইকেইটা আঞ্চলিক কাৰ্যালয়ত কমেও তিনিটাকৈ ভাষা-প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হওক।

√ বিভিন্ন জনগোষ্ঠীয় সাহিত্য সভাৰ সভাপতি-সম্পাদকসকলক আমন্ত্ৰণ জনাই পৰৱৰ্তী কাৰ্যনিৰ্বাহক সভাৰ সৈতে একেলগে জনগোষ্ঠীয় সন্মিলন মৰিগাঁৱত অনুষ্ঠিত কৰা হওক।

*সিপিঠিত ..*

√ 'অসমৰ সংগীত ঃ ঐতিহ্য আৰু পৰম্পৰা' শীৰ্ষক এখন কৰ্মশালা মৰাণ মহাবিদ্যালয়ত অনুষ্ঠিত কৰিবৰ বাবে সভাই সিদ্ধান্ত গ্ৰহণ কৰে আৰু উক্ত কৰ্মশালাৰ পাছত 'অসমৰ সংগীত ঃ ঐতিহ্য আৰু পৰম্পৰা' শীৰ্ষক গ্ৰন্থ এখন প্ৰকাশ কৰিবৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে।

√ দুলীয়াজন সাহিত্য সভাৰ সহযোগত এখন ভাওনা সমাৰোহ আৰু কৰ্মশালা অনুষ্ঠিত কৰা হওক। ইয়াৰ লগত সংগতি ৰাখি ভাওনা সম্পৰ্কীয় গ্ৰন্থ এখন প্ৰকাশ কৰিবলৈও সিদ্ধান্ত গ্ৰহণ কৰা হয়।

√ শাখা গঠনৰ ক্ষেত্ৰত জিলা সভাক কৰ্তৃত্ব দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা হওক। উল্লেখ্য যে খেলিমেলি বা নীতি-নিয়ম উলংঘাৰ ক্ষেত্ৰত সংশ্লিষ্ট জিলা দায়বদ্ধ থাকিব লাগিব।

√ প্ৰতি বছৰে ১ ফেব্ৰুৱাৰীত অসম সাহিত্য উৎসৱ আৰু ২-৪ ফেব্ৰুৱাৰীলৈ সভাৰ অধিৱেশন অনুষ্ঠিত কৰা হওক।

√ অধিৱেশন আয়োজনৰ ক্ষেত্ৰত আৰম্ভণিতে খেলিমেলিৰ সন্মুখীন হ'লে অধিৱেশন অনুষ্ঠিত কৰিবলৈ দিয়া ব্যৱস্থাটো পুনৰ বিবেচনা কৰা হওক।

√ মধ্যবিত্ত শ্ৰেণীৰ শিল্পী সাহিত্যিক দুৰাৰোগ্য ৰোগত আক্ৰান্ত হ'লে বছৰত কমেও দুগৰাকী লোকক ন্যূনতম চিকিৎসা দানৰ ব্যৱস্থাৰ বাবে ব্যক্তিগত চিকিৎসালয়ক অনুৰোধ জনোৱা হওক। এই ক্ষেত্ৰত নীতি-নিৰ্দ্ধাৰণ তথা যাৱতীয় ব্যৱস্থা গ্ৰহণৰ বাবে প্ৰধান সম্পাদকক দায়িত্ব দিয়া হওক।

√ প্ৰতিখন জিলাত একোখনকৈ আজীৱন সভ্যৰ সন্মিলন জিলা সভাৰ সহযোগত অনুষ্ঠিত কৰা হওক। তাৰ পাছত কেন্দ্ৰীয় আজীৱন সভ্যৰ অভিৱৰ্তন অনুষ্ঠিত কৰা হওক। অহা নৱেম্বৰ'০৯ মাহৰ ভিতৰত জিলাসমূহে এই কাম সম্পন্ন কৰাৰ পাছত ডিচেম্বৰ'০৯ ত কেন্দ্ৰীয় আজীৱন সভ্যৰ অভিৱৰ্তন অনুষ্ঠিত হ'ব।

√ চিঠি-পত্ৰৰ যোগাযোগ জিলা প্ৰতিনিধি গৰাকীৰ মাধ্যমেৰে জিলা সভাৰ জৰিয়তে শাখা সভালৈ প্ৰেৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হওক।

**যোৱা ২ এপ্ৰিল ২০০৯ তাৰিখে যোৰহাটৰ দানবীৰ ৰাধাকান্ত সন্দিকৈ ভৱনত অসম সাহিত্য সভাৰ ২০০৯-২০১১ বৰ্ষৰ প্ৰথম পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। এই সভাত গৃহীত সিদ্ধান্ত আৰু প্ৰস্তাৱসমূহ এনেধৰণৰ-**

<u>সিদ্ধান্ত (ক)</u>

অসম সাহিত্য সভাৰ তিনিটাওটা আঞ্চলিক কাৰ্যালয়ৰ গৱেষণা কেন্দ্ৰৰ বাবে একোজনকৈ গৱেষণা বিষয়া নিয়োগ কৰা হওক।

<u>সিদ্ধান্ত (খ)</u>

অসম সাহিত্য সভা সম্পৰ্কে এখনি তথ্য সমৃদ্ধ ইংৰাজী ভাষাত গ্ৰন্থ প্ৰণয়নৰ বাবে উপ-সভাপতি কনক চন্দ্ৰ শৰ্মাদেৱক দায়িত্ব দিয়া হওক।

*সিপিঠিত ..*

**সিদ্ধান্ত (গ)**

সভাৰ প্ৰকাশন সমিতিৰ জৰিয়তে অসম লেখক কোষ, এশবছৰৰ শিশু সাহিত্য, এশ বছৰৰ চুটি গল্প, এশ বছৰৰ গীতি সাহিত্য, শ্ৰীমন্ত শংকৰদেৱ কোষ, বিজ্ঞান সাহিত্য, শিশু সাহিত্য কোষ, জনজাতীয় ভাষাৰ কোষ, বিশ্বকোষ আদিৰ উপৰি সুপৰিকল্পিতভাৱে প্ৰয়োজনীয় গ্ৰন্থ প্ৰকাশৰ ব্যৱস্থা কৰা হওক।

**সিদ্ধান্ত (ঘ)**

আজিৰ সভাই প্ৰতি বছৰে ১ ফেব্ৰুৱাৰীৰ দিনটো 'অসম সাহিত্য উৎসৱ' ৰূপে ঘোষণা কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে।

**সিদ্ধান্ত (ঙ)**

'অসম সাহিত্য উৎৱ'ৰ সৈতে সংগতি ৰাখি ২ ফেব্ৰুৱাৰীৰ পৰা ৪ ফেব্ৰুৱাৰীলৈ অসম সাহিত্য সভাৰ অধিৱেশন প্ৰতি বছৰে নিশ্চিতভাৱে অনুষ্ঠিত কৰিবলৈ আজিৰ সভাই সিদ্ধান্ত গ্ৰহণ কৰে।

**সিদ্ধান্ত (চ)**

আজিৰ সভাই 'অসম সাহিত্য উৎসৱ' আৰু অধিৱেশনৰ দিন কেইটাত চৰকাৰী কাৰ্যসূচী, পৰীক্ষা, স্বেচ্ছাসেৱী অনুষ্ঠানৰ বিশেষ কাৰ্যসূচী আদি যাতে অনুষ্ঠিত কৰা নহয় তাৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষক অনুৰোধ জনোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

**সিদ্ধান্ত (ছ)**

সাহিত্য উৎসৱৰ পাছৰ দিনকেইটা অৰ্থাৎ ২-৪ ফেব্ৰুৱাৰীলৈ অসম সাহিত্য সভাৰ নিজস্ব কাৰ্যসূচী ৰূপায়িত হওক।

**সিদ্ধান্ত (জ)**

অধিৱেশনৰ বাবে মুকলি কৰিবলগীয়া গ্ৰন্থমেলা আৰু প্ৰদৰ্শনীৰ দ্বাৰ সাহিত্য উৎসৱৰ দিনাই উদ্বোধন কৰা হওক।

**সিদ্ধান্ত (ঝ)**

গ্ৰন্থমেলাত জনগোষ্ঠীয় সাহিত্যৰ বিপণি, প্ৰদৰ্শনীত জনগোষ্ঠীয় সংস্কৃতিৰ প্ৰদৰ্শন আদি দিশত অধিক গুৰুত্ব প্ৰদান কৰিবলৈ আদৰণী সমিতিক পৰামৰ্শ দিয়া হওক।

অসম সাহিত্য সভাৰ গ্ৰন্থ বিপণিত জনগোষ্ঠীয় ভাষাৰ গ্ৰন্থ বিক্ৰীৰ যাৱতীয় ব্যৱস্থা গ্ৰহণৰ বাবে প্ৰধান সম্পাদকক কৰ্তৃত্ব প্ৰদান কৰা হওক।

**সিদ্ধান্ত (ঞ)**

অসম সাহিত্য সভাক বিশ্বমুখী কৰিবলৈ তথা সভাৰ কৰ্মৰাজি বিশ্বৰ বিভিন্ন প্ৰান্তৰ লোকৰ মাজত প্ৰচাৰ আৰু প্ৰসাৰৰ এক মাধ্যম হিচাপে 'অসম সাহিত্য সভা ৱেবছাইট' মুকলি কৰা হওক।

**সিদ্ধান্ত (ট)**

ইণ্টাৰনেট ব্যৱস্থাৰ জৰিয়তে প্ৰবাসী অসমীয়াৰ মাজত সভ্যভৰ্তি আৰু দান-বৰঙণি সংগ্ৰহৰ অভিযান চলোৱা হওক।

**সিদ্ধান্ত (ঠ)**

আজিৰ কাৰ্যনিৰ্বাহক সভাতে যোৰহাট কেন্দ্ৰীয় কাৰ্যালয়ত অসম সাহিত্য সভাৰ ৱেবছাইট মুকলি কৰা হওক।

**সিদ্ধান্ত (ড)**

এই ৱেবছাইট পৰিচালনাৰ বাবে এখন উপ-সমিতি গঠন কৰা হওক।

*সিপিঠিত ..*

**সিদ্ধান্ত (ণ)**

নবীন লেখক-লেখিকাক উৎসাহিত কৰিবৰ বাবে সভাই সহমত পোষণ কৰে আৰু তলত উল্লেখ কৰা ধৰণে উদ্‌গনিৰ ব্যৱস্থা কৰিবলৈ সভাই সিদ্ধান্ত গ্ৰহণ কৰে।

১। কমেও তিনি গৰাকী নবীন লেখক-লেখিকাক গৱেষণা ফেল'শ্বিপ প্ৰদান কৰাৰ ব্যৱস্থা কৰা হওক।

২। অৰ্থনৈতিকভাৱে দুৰ্বল নবীন প্ৰতিভাবান ৩০ গৰাকী লেখক-লেখিকাকক গ্ৰন্থ প্ৰকাশৰ বাবে এককালীন অনুদান প্ৰদান কৰা হওক।

৩। নবীন লেখক-লেখিকা সকলৰ মাজৰ পৰা কমেও দহ গৰাকীৰ উৎকৃষ্টমানৰ গ্ৰন্থ বাছনি কৰি প্ৰকাশৰ ব্যৱস্থা কৰা হওক।

**সিদ্ধান্ত (ত) ঃ**

অসম সাহিত্য সভাৰ তৰফৰ পৰা এখন আৱাসিক বিদ্যালয় স্থাপনৰ বিষয়টো সকলোৱে একমত পোষণ কৰি অনুষ্ঠানখনি পৰিকল্পিতভাৱে উন্নতমানৰ হোৱাকৈ মুকলি কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে।

**সিদ্ধান্ত (থ) ঃ**

আজিৰ সভাই সিদ্ধান্ত কৰে যে অসমৰ চুবুৰীয়া ৰাজ্য আৰু ভাৰতৰ অন্যান্য ৰাজ্যৰ সাহিত্যানুষ্ঠানৰ সৈতে সাংস্কৃতিক ভাব-বিনিময় কাৰ্যসূচী ৰূপায়ণ কৰা হওক।

**সিদ্ধান্ত (দ) ঃ**

সভাই সিদ্ধান্ত কৰে যে গোৱা, কেৰেলা, উৰিষ্যাৰ সাহিত্য অকাডেমীৰ তৰফৰ পৰা মৌখিকভাৱে প্ৰধান সম্পাদকৰ সৈতে হোৱা আলোচনাৰ ভিত্তিত উত্থাপিত এই আন্তঃৰাজ্যিক ভাব-বিনিময় কাৰ্যসূচী অসম সাহিত্য সভাৰ তৰফৰ পৰা আনুষ্ঠানিকভাৱে আৰম্ভ কৰিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়া হওক।

**সিদ্ধান্ত (ধ) ঃ**

আন্তঃৰাজ্যিক ভাব-বিনিময় কাৰ্যসূচীৰ আঁচনি, নীতি-নিৰ্ধাৰণ তথা যাৱতীয় কাম-কাজ কৰিবলৈ একোখন উপ-সমিতি গঠন কৰা হওক।

**সিদ্ধান্ত (ন) ঃ**

আজিৰ সভাত সৰ্বসন্মতিক্ৰমে সিদ্ধান্ত গ্ৰহণ কৰা হয় যে অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিলৈ কামৰূপ জিলা সাহিত্য সভাৰ প্ৰতিনিধি প্ৰেৰণৰ বিষয়টো আলোচনাৰ অন্তত অগ্ৰাধিকাৰ ভিত্তিত জিলা সভাখনৰ বৰ্তমানৰ (২০০৯-২০১১ বৰ্ষৰ) সভাপতি শ্ৰীশচীন ডেকাক অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিলৈ কামৰূপ জিলা সাহিত্য সভাৰ প্ৰতিনিধি হিচাপে অন্তৰ্ভুক্ত কৰা হওক।

**সিদ্ধান্ত (প) ঃ**

আজিৰ সভাই সৰ্বসন্মতিক্ৰমে শ্ৰীহৰিনাথ হাজৰিকা (যোৰহাট) আৰু শ্ৰীঅৰুণ বৰুৱা (গুৱাহাটী)ক অসম সাহিত্য সভাৰ আগন্তুক কাৰ্যকালৰ বাবে আভ্যন্তৰীণ হিচাপ পৰীক্ষক হিচাপে মনোনীত কৰে।

**সিদ্ধান্ত (ফ) ঃ**

আজিৰ সভাই সৰ্বসন্মতিক্ৰমে ২০০৯-২০১১ বৰ্ষৰ বাবে শ্ৰীঅৰুণ মহন্তক অসম সাহিত্য সভাৰ জাতীয় ন্যাস পুঁজিৰ কোষাধ্যক্ষ হিচাপে মনোনীত কৰে। জাতীয় ন্যাস পুঁজিৰ ধনৰ লেন-দেন প্ৰধান সম্পাদক আৰু জাতীয় ন্যাস পুঁজিৰ কোষাধ্যক্ষৰ যুটীয়া স্বাক্ষৰত পৰিচালিত হ'ব।

*সিপিঠিত ..*

**প্ৰস্তাৱসমূহ ঃ**

**১ নং প্ৰস্তাৱ ঃ**

আজিৰ সভাত সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰা হয় যে অসম সাহিত্য সভাৰ বিশেষ বাৰ্ষিক ৰ'থাতলাংছ' অধিৱেশন আৰু দ্বি-বাৰ্ষিক পূৰ্ণাংগ দেৰগাঁও অধিৱেশন প্ৰতি বছৰে ১ ফেব্ৰুৱাৰীৰ পৰা ৪ ফেব্ৰুৱাৰীলৈকে নিশ্চিতভাৱে অনুষ্ঠিত কৰা হওক। উল্লেখ থাকে যে অধিৱেশনৰ প্ৰথম দিনা ১ ফেব্ৰুৱাৰী দিনটো 'অসম সাহিত্য উৎসৱ' বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰা হওক।

**২ নং প্ৰস্তাৱ ঃ**

আজিৰ সভাত প্ৰস্তাৱ গ্ৰহণ কৰা হয় যে অহা জুন মাহৰ ভিতৰত অন্যান্য জনগোষ্ঠীৰ সাহিত্য সভাসমূহক আমন্ত্ৰণ জনাই সন্মিলিত সাহিত্য সভা মঞ্চক শক্তিশালী কৰাৰ বাবে এখন অভিৰ্ৰতন অনুষ্ঠিত কৰা হওক। এই অভিৰ্ৰতনতে প্ৰত্যেকটো জনগোষ্ঠীৰ গুৰুত্বপূৰ্ণ গ্ৰন্থসমূহ সংশ্লিষ্ট জনগোষ্ঠীয় ভাষালৈ অনুবাদ কৰাৰ বাবে এক উমৈহতীয়া অনুবাদ সাহিত্য আঁচনি প্ৰস্তুত কৰা হওক।

**৩ নং প্ৰস্তাৱ ঃ**

আজিৰ সভাত সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰা হয় যে অসমৰ প্ৰত্যেকখন জনগোষ্ঠীয় সাহিত্য সভাৰ সভাপতি আৰু সম্পাদকসকলৰ নেতৃত্বত তেখেতসকলৰ সাংস্কৃতিক দলসমূহক অসম সাহিত্য উৎসৱলৈ বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণৰ বাবে আমন্ত্ৰণ জনোৱা হওক। উল্লেখ থাকে যে প্ৰত্যেক বছৰে আমন্ত্ৰণ জনাবলগীয়া সাংস্কৃতিক দলসমূহৰ সদস্য সংখ্যা আদৰণী সমিতিৰ সৈতে আলোচনাৰে নিৰ্ধাৰণ কৰি আমন্ত্ৰণ জনোৱাৰ ব্যৱস্থা কৰা হওক। সকলো অনুষ্ঠানতে অসম সাহিত্য সভাৰ কেন্দ্ৰীয় বিষয়ববীয়া সদস্য-সদস্যা, অন্যান্য জনগোষ্ঠীয় সাহিত্য সভাসমূহৰ বিষয়ববীয়া সদস্য-সদস্যাসকলে অংশগ্ৰহণ কৰিব। ইয়াৰ বাবে বহা আসনকে ধৰি সকলো প্ৰকাৰ সা-সুবিধা আদৰণী সমিতিয়ে ব্যৱস্থা কৰিব।

**৪ নং প্ৰস্তাৱ ঃ**

আজিৰ সভাত প্ৰস্তাৱ গ্ৰহণ কৰা হয় যে অসম সাহিত্য উৎসৱৰ দিনটোৰ লগতে সাহিত্য সভা অনুষ্ঠিত হোৱা দিন কেইটাত অসমৰ জাতি, বৰ্ণ, ধৰ্ম, নিৰ্বিশেষে সমূহ জনসাধাৰণে মুক্তমনেৰে এই উৎসৱত অংশগ্ৰহণৰ সুবিধা প্ৰদানৰ অৰ্থে অসমৰ ৰাজনৈতিক অৰাজনৈতিক সংগঠন সমূহক নিজস্ব কোনো ধৰণৰ কাৰ্যসূচী বা আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ নকৰিবলৈ অনুৰোধ জনোৱা হওক।

**৫ নং প্ৰস্তাৱ ঃ**

আজিৰ সভাত সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰা হয় যে অসম সাহিত্য সভাই প্ৰতিবছৰে সাহিত্য উৎসৱ পালন কৰিবলগীয়া ১ ফেব্ৰুৱাৰীৰ দিনটো সীমিত বন্ধৰ দিন ঘোষণা কৰিবলৈ অসম চৰকাৰক অনুৰোধ জনোৱা হওক। উল্লেখযোগ্য যে ১ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ কৰি অসম সাহিত্য সভাৰ দিনকেইটা যাতে কোনো পৰীক্ষা অনুষ্ঠিত কৰা নহয় সেই দিশটোলৈ লক্ষ্য ৰাখিবৰ বাবে অনুৰোধ জনাই সংশ্লিষ্ট কৰ্তৃপক্ষলৈ পত্ৰ প্ৰেৰণ কৰিবলৈ প্ৰধান সম্পাদকক সভাই দায়িত্ব দিয়ে।

**৬ নং প্ৰস্তাৱ ঃ**

আজিৰ সভাত প্ৰস্তাৱ গ্ৰহণ কৰা হয় যে অসম সাহিত্য সভাই মুকলি কৰিব বিচৰা 'অসম সাহিত্য সভাৰ ৱেবছাইট' পৰিচালনা কৰিবৰ বাবে তলত উল্লেখ কৰা ধৰণে এখন ৱেবছাইট পৰিচালনা সমিতি গঠন কৰা হওক।

*সিপিঠিত ..*

সভাপতি ঃ সভাপতি, অসম সাহিত্য সভা; উপ-সভাপতি ঃ উপ-সভাপতি, অসম সাহিত্য সভা ; সম্পাদক ঃ প্ৰধান সম্পাদক, অসম সাহিত্য সভা; ৱেবছাইট প্ৰশাসক ঃ শ্ৰীৰামচৰণ পাঠক ; সদস্যসকল ঃ শ্ৰীমৃণাল কান্তি চক্ৰৱৰ্তী, সচিব, অসম সাহিত্য সভা ; শ্ৰীভবানীপ্ৰসাদ অধিকাৰী, প্ৰকাশন সচিব, অসম সাহিত্য সভা

**৭ নং প্ৰস্তাৱ ঃ**

আজিৰ সভাত প্ৰস্তাৱ গ্ৰহণ কৰা হয় যে বিদেশত থকা প্ৰবাসী অসমীয়াসকলক ইণ্টাৰনেট সেৱাৰ জৰিয়তে সভ্যভৰ্তি ব্যৱস্থা, বিভিন্ন কাৰ্যসূচী উপভোগ কৰাৰ ব্যৱস্থা গ্ৰহণ, অসম সাহিত্য সভাৰ বিষয়ে ব্যাপক অভিযান চলোৱা লগতে অসম সাহিত্য সভাৰ মূল্যৱান প্ৰকাশনসমূহ ইণ্টাৰনেটত উপলব্ধ কৰাৰ বাবে গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা হওক।

**৮ নং প্ৰস্তাৱ ঃ**

আজিৰ সভাত প্ৰস্তাৱ গ্ৰহণ কৰা হয় যে নবীন লেখক-লেখিকাসকলৰ বাবে গ্ৰহণ কৰা সিদ্ধান্তৰ সকলো দিশৰ ব্যৱস্থা, নীতি-নিৰ্দ্ধাৰণ আদি দিশৰ কাম-কাজ পৰিচালনাৰ বাবে এখন উপ-সমিতি গঠনৰ বাবে প্ৰধান সম্পাদকক দায়িত্ব দিয়া হওক।

**৯ নং প্ৰস্তাৱ ঃ**

আজিৰ সভাত সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰা হয় যে অসম তত্ত্ব গৱেষণা সংস্থাৰ কাম-কাজ চলিত বৰ্ষতে আৰম্ভ কৰা হওক। ইয়াৰ বাবে অসম সাহিত্য সভাৰ প্ৰাক্তন সহকাৰী সম্পাদক শ্ৰীমাণিক শইকীয়াক অসম তত্ত্ব গৱেষণা সংস্থানৰ আহ্বায়ক ৰূপে মনোনীত কৰা হওক। সভাই এই গৱেষণা কেন্দ্ৰৰ পঞ্জীয়নৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ক জমা দিবলগীয়া ধন আদায় দিয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ প্ৰধান সম্পাদক আৰু আহ্বায়ক শ্ৰীমাণিক শইকীয়াক দায়িত্ব দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে।

**১০ নং প্ৰস্তাৱ ঃ**

আজিৰ সভাত প্ৰস্তাৱ গ্ৰহণ কৰা হয় যে অনা অসমীয়া ভাষীসকলৰ মাজত অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ জ্ঞান প্ৰদান, প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে অসম সাহিত্য সভাৰ উদ্যোগত এখন আৱাসিক শিক্ষানুষ্ঠান স্থাপন কৰা হওক।

**১১ নং প্ৰস্তাৱ ঃ**

আজিৰ সভাত সৰ্বসন্মতিক্ৰমে সিদ্ধান্ত গ্ৰহণ কৰা হয় যে আৱাসিক বিদ্যালয় প্ৰতিষ্ঠাৰ দৰে দীৰ্ঘম্যাদী কাৰ্যক্ৰমণিকা গ্ৰহণৰ যাবতীয় কাৰ্যব্যৱস্থা হাতত ল'বৰ বাবে আঁচনি প্ৰস্তুত আদি কৰিবলৈ প্ৰধান সম্পাদকক এখন উপ-সমিতি গঠন কৰাৰ বাবে দায়িত্ব দিয়া হওক।

**১২ নং প্ৰস্তাৱ ঃ**

আজিৰ সভাত সৰ্বসন্মতিক্ৰমে সিদ্ধান্ত গ্ৰহণ কৰা হয় যে আৱাসিক বিদ্যালয়ৰ এখন বিস্তৃত আঁচনি প্ৰস্তুত কৰি অইল ইণ্ডিয়া, দুলীয়াজানৰ কাৰ্যালয়ত দাখিল কৰা হওক। উল্লেখ্য এই যে উক্ত আঁচনিৰ কাম যথাসম্ভৱ সোনকালে কৰি অইল ইণ্ডিয়াত দাখিল কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়া হওক।

**১৩ নং প্ৰস্তাৱ ঃ**

আজিৰ সভাত সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰা হয় যে অসম সাহিত্য সভাৰ তৰফৰ পৰা এখন আন্তঃৰাজ্যিক ভাব-বিনিময় উপ-সমিতি গঠন কৰিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়া হওক।

*সিপিঠিত ..*

**১৪ নং প্ৰস্তাৱ ঃ**

আজিৰ সভাত সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰা হয় যে অসম সাহিত্য সভাৰ স্থায়ী/অস্থায়ী কৰ্মচাৰী তথা পৰিয়ালৰ লগতে নিম্ন মধ্যবিত্ত আয়ৰ শিল্পী-সাহিত্যিকৰ দুৰাৰোগ্য বেমাৰৰ চিকিৎসাৰ বাবে সাহায্য প্ৰদান সম্পৰ্কীয় নীতি নিৰ্ধাৰণ আৰু আঁচনি প্ৰস্তুত কৰিবৰ বাবে এখন উপ-সমিতি গঠন কৰিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়া হওক।

**১৫ নং প্ৰস্তাৱ ঃ**

আজিৰ সভাত সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰা হয় যে অসম সাহিত্য সভাৰ হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী কাৰ্যসূচীসমূহ ৰূপায়ণৰ বাবে প্ৰবাসী অসমীয়াসকলৰ পৰা দিহা-পৰামৰ্শ তথা সহায়-সহযোগিতা বিচাৰিবৰ বাবে যোগাযোগ আঁচনি তথা নীতি-নিৰ্দ্ধাৰণৰ বাবে এখন উপ-সমিতি গঠন কৰিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়া হওক।

**১৬ নং প্ৰস্তাৱ ঃ**

আজিৰ সভাত সৰ্বসন্মতিক্ৰমে নিম্নলিখিত ধৰণে অসম সাহিত্য সভাৰ ২০০৯-২০১১ বৰ্ষৰ কৰ্ণধাৰ সমিতিখন গঠন কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হওক।

সভাপতি ঃ সভাপতি, অসম সাহিত্য সভা ; উপ-সভাপতি ঃ উপ-সভাপতি, অসম সাহিত্য সভা ; সম্পাদকঃ প্ৰধান সম্পাদক, অসম সাহিত্য সভা; সদস্যসকল ঃ কিশোৰ কুমাৰ জৈন (ধনভঁৰালী), ভবানীপ্ৰসাদ অধিকাৰী, প্ৰকাশন সচিব, অসম সাহিত্য সভা; ভূপেন শইকীয়া, ভাষা-জ্ঞান পৰীক্ষা সংসদৰ সচিব, অসম সাহিত্য সভা ; বিনন্দ বৰুৱা, সহকাৰী সম্পাদক, কেন্দ্ৰীয় কাৰ্যালয়; দেৱপ্ৰসাদ তালুকদাৰ, সহকাৰী সম্পাদক, গুৱাহাটী কাৰ্যালয়; ভৱ গোস্বামী (আইন উপদেষ্টা); হবিবৰ ৰহমান (আইন উপদেষ্টা); ৰাধা বৰা (প্ৰকল্প আহ্বায়ক)

**১৭ নং প্ৰস্তাৱ ঃ**

আজিৰ সভাত সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰা হয় যে ২০০৯-২০১১ বৰ্ষৰ প্ৰাৰম্ভিক বৈঠকৰ পৰামৰ্শক্ৰমে কাৰ্যনিৰ্বাহকৰ সদস্য শ্ৰীভবানীপ্ৰসাদ অধিকাৰীক প্ৰকাশন সচিব হিচাপে দিয়া দায়িত্বত অনুমোদন জনোৱা হওক।

**১৮ নং প্ৰস্তাৱ ঃ**

আজিৰ সভাত সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰা হয় যে ২০০৯-২০১১ বৰ্ষৰ বাবে প্ৰকাশন বিভাগৰ কাম-কাজ নিয়াৰিকৈ আগবঢ়াই নিয়াৰ সুবিধাৰ্থে নিম্নলিখিত ধৰণে সভাৰ প্ৰকাশন সমিতিখন গঠন কৰা হওক।

১। ৰংবং তেৰাং, মাননীয় সভাপতি, অসম সাহিত্য সভা ; ২। কনক চন্দ্ৰ শৰ্মা, মাননীয় উপ-সভাপতি, অসম সাহিত্য সভা ; ৩। ড° পৰমানন্দ ৰাজবংশী, প্ৰধান সম্পাদক, অসম সাহিত্য সভা ; ৪। ভবানীপ্ৰসাদ অধিকাৰী, প্ৰকাশন সচিব ; ৫। সতীশ চন্দ্ৰ চৌধুৰী, সদস্য ; ৬। ৰাজেন্দ্ৰ মোহন শৰ্মা, সদস্য ; ৭। ভৱপ্ৰসাদ চলিহা, সদস্য ৮। ড° বসন্ত কুমাৰ গোস্বামী, সদস্য ; ৯। ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্তী, সদস্য

**১৯ নং প্ৰস্তাৱ ঃ**

আজিৰ সভাত সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰা হয় যে অসম সাহিত্য সভাত থকা সকলোবোৰ ন্যাস গঠন, পৰিচালনা, বঁটা প্ৰদান, ন্যাসৰ ধন পৰিমাণ বৃদ্ধি আদিৰ ক্ষেত্ৰত পৰ্যালোচনা কৰি পৰামৰ্শ আগবঢ়াবলৈ নিম্নলিখিত সমিতিখনক দায়িত্ব দিয়া হওক।

১। প্ৰধান সম্পাদক, অসম সাহিত্য সভা (আহ্বায়ক) ; ২। শ্ৰীসতীশ চন্দ্ৰ চৌধুৰী, প্ৰাক্তন উপ-সভাপতি, অসম সাহিত্য সভা ; ৩। শ্ৰীমৃণাল কান্তি চক্ৰৱৰ্তী, সচিব, অসম সাহিত্য সভা ; ৪। শ্ৰীবিনন্দ বৰুৱা, সহকাৰী সম্পাদক, যোৰহাট কাৰ্যালয় ; ৫। শ্ৰীদেৱপ্ৰসাদ তালুকদাৰ, সহকাৰী সম্পাদক, গুৱাহাটী কাৰ্যালয়, অসম সাহিত্য সভা

*সিপিঠিত ..*

**২০ নং প্ৰস্তাৱ ঃ**

আজিৰ সভাত সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰা হয় যে অসম সাংস্কৃতিক বিশ্ববিদ্যালয় পৰিচালনা সমিতিৰ সদস্যৰূপে নিম্নলিখিত ব্যক্তি কেইগৰাকীক মনোনীত কৰা হওক।

সদস্যসকল ঃ ১। ড° নৰেন কলিতা, নগাঁও
২। শ্ৰীবদন শৰ্মা, তিনিচুকীয়া

**২১ নং প্ৰস্তাৱ ঃ**

আজিৰ সভাত সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰা হয় যে ২০১১ বৰ্ষত দেৰগাঁৱত অনুষ্ঠিতব্য অসম সাহিত্য সভাৰ দ্বি-বাৰ্ষিক পূৰ্ণাংগ অধিৱেশনৰ আদৰণী সমিতি দেৰগাঁও সাহিত্য সভাৰ সহযোগত গঠন কৰাকে ধৰি অধিৱেশনৰ কাম-কাজ পৰ্যবেক্ষণ কৰিবলৈ নিম্নলিখিত ব্যক্তিসকলক লৈ এখন পৰ্যবেক্ষক সমিতি গঠন কৰা হওক ;
১। প্ৰফুল্ল চন্দ্ৰ বৰা, বিশিষ্ট সাহিত্যিক, দেৰগাঁও, ২। পৰশু তামুলী, সভাপতি, গোলাঘাট জিলা সাহিত্য সভা ৩। হেমেন হাজৰিকা, বিশেষভাৱে আমন্ত্ৰিত কাৰ্যনিৰ্বাহক সদস্য, অসম সাহিত্য সভা, ৪। ৰত্নেশ্বৰ হাজৰিকা, সম্পাদক, গোলাঘাট জিলা সাহিত্য সভা, ৫। ড° কুতুবুদ্দিন আহমেদ, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ সদস্য, অসম সাহিত্য সভা, ৬। বিনন্দ বৰুৱা, সহকাৰী সম্পাদক, কেন্দ্ৰীয় কাৰ্যালয়, যোৰহাট (আহ্বায়ক), ৭। পবিত্ৰ বৰবৰা, আহ্বায়ক, চাহ-বাগিছা উপ-সমিতি

**২২ নং প্ৰস্তাৱ ঃ**

আজিৰ সভাত সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰা হয় যে বৰপেটা জিলা সাহিত্য সভাৰ ২০০৯-২০১১ বৰ্ষৰ জিলা সমিতিৰ নিৰ্বাচন তথা সমিতি গঠন কৰি অধিৱেশন অনুষ্ঠিত কৰাৰ বাবে নিম্নলিখিত ধৰণে তদৰ্থ সমিতিক দায়িত্ব দিয়া হওক। তদৰ্থ সমিতিৰ বিভিন্ন সমস্যা তথা পৰামৰ্শ গ্ৰহণ তথা সিদ্ধান্ত গ্ৰহণৰ বাবে কৰ্ণধাৰ সমিতিক দায়িত্ব দিয়া হওক।

**বৰপেটা জিলা সাহিত্য সভাৰ তদৰ্থ সমিতি ঃ**

১। অৰ্জুন চন্দ্ৰ দাস, সভাপতি (প্ৰাক্তন সভাপতি, বৰপেটা জিলা সাহিত্য সভা) ; ২। অক্ষয় কুমাৰ মিশ্ৰ, সদস্য (প্ৰাক্তন সভাপতি, বৰপেটা জিলা সাহিত্য সভা) ; ৩। গোবিন্দ তালুকদাৰ, সদস্য (প্ৰাক্তন সভাপতি, বৰপেটা জিলা সাহিত্য সভা) ; ৪। ইছমাইল হোছেইন, আহ্বায়ক (বিশিষ্ট সাহিত্যিক, সমালোচক, গুৱাহাটী ) ; ৫। জগদীশ শৰ্মা, সদস্য (প্ৰাক্তন সম্পাদক, বৰপেটা জিলা সাহিত্য সভা) ; ৬। বৈকুণ্ঠ কলিতা, সদস্য (কাৰ্যনিৰ্বাহকৰ প্ৰাক্তন সদস্য, বৰপেটা জিলা) ; ৭। খগেন দাস, সদস্য (কাৰ্যনিৰ্বাহকৰ প্ৰাক্তন সদস্য, বৰপেটা জিলা) ; ৮। উৎপল হালৈ, সদস্য ; ৯। উৎপল মেধি, সদস্য ; ১০। হবিবৰ ৰহমান, নিৰ্বাচনী বিষয়া, বৰপেটা জিলা সাহিত্য সভা ; ১১। মমতাজ খান, সহকাৰী নিৰ্বাচনী বিষয়া, বৰপেটা জিলা সাহিত্য সভা ; ১২। ড° অমিয়া মহন্ত, সদস্যা ; ১৩। ধনজিৎ শৰ্মা, সদস্য ; ১৪। ৰবীন দাস, সদস্য, সহকাৰী নিৰ্বাচনী বিষয়া

১ ফেব্ৰুৱাৰী, ২০১০ খ্ৰীষ্টাব্দত অনুষ্ঠিত হ'বলগীয়া ৰ'থাতলাংছ' অধিৱেশনলৈকে অসম সাহিত্য সভাৰ এখনি কৰ্মসূচী আমি প্ৰস্তুত কৰিছোঁ। ইয়াৰ মাজত বিভিন্ন ন্যাসৰ অনুষ্ঠানসমূহ অন্তৰ্ভুক্ত কৰা হোৱা নাই। কৰ্মসূচীখন এনেধৰণৰ-

<u>অসম সাহিত্য সভাৰ আগন্তুক কৰ্মসূচী</u> ঃ *(প্ৰয়োজন সাপেক্ষে সলনি হ'ব পাৰে)*

| | | |
|---|---|---|
| ২২ জুন '০৯ | ঃ | দ্বিতীয় পূৰ্ণাঙ্গ কাৰ্যনিৰ্বাহক সভা - মৰিগাঁও জিলা সাহিত্য সভাৰ উদ্যোগত |
| ১,২, আৰু ৩ আগষ্ট | ঃ | কেন্দ্ৰীয় আলোচনা সত্ৰ — 'অসমৰ সংগীত ঃ ঐতিহ্য আৰু পৰম্পৰা' মৰাণ মহাবিদ্যালয়ৰ সহযোগত |

*সিপিঠিত ..*

| | | |
|---|---|---|
| ৯ ছেপ্টেম্বৰ '০৯ | ঃ | চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত স্মৃতি দিৱস - যোৰহাট সাহিত্য সভা |
| ১২ ছেপ্টেম্বৰ '০৯ | ঃ | ড° লীলা গগৈৰ স্মৃতিত শিশুসাহিত্যৰ বিষয়ে আলোচনা সত্ৰ- ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সহযোগত |
| ১৩ ছেপ্টেম্বৰ '০৯ | ঃ | তাৰাপ্ৰসাদ চক্ৰৱৰ্তী ন্যাসৰ বক্তৃতানুষ্ঠান - ডিব্ৰুগড় সাহিত্য সভাৰ উদ্যোগত |
| ১৪ ছেপ্টেম্বৰ '০৯ | ঃ | বিহুৰাম বড়োৰ স্মৃতিত জনগোষ্ঠীয় ভাষা-সাহিত্য বিকাশ দিৱস- বোকাজান সাহিত্য সভাৰ উদ্যোগত |
| ১৯ ছেপ্টেম্বৰ '০৯ | ঃ | কেন্দ্ৰীয় আলোচনা সত্ৰ — পশ্চিম অসমৰ ভাষা-সংস্কৃতিৰ গৱেষণা কেন্দ্ৰ - ধুবুৰী |
| ২০ ছেপ্টেম্বৰ '০৯ | ঃ | তৃতীয় পূৰ্ণাঙ্গ কাৰ্যনিৰ্বাহক সভা - ধুবুৰী |
| ৮, ৯, ১০ আৰু ১১ অক্টোবৰ '০৯ | ঃ | কেন্দ্ৰীয় নাট সমাৰোহ । শিৱসাগৰ জিলা সাহিত্য সভাৰ সহযোগত |
| ১, ২, আৰু ৩ নৱেম্বৰ '০৯ | ঃ | নুমলীগড় সাহিত্য সভাৰ উদ্যোগত নুমলীগড়ত নাট কৰ্মশালা আৰু নাট সমাৰোহ |
| ৫ নৱেম্বৰ '০৯ | ঃ | সুশীল কুমাৰ ৰায়ৰ স্মৃতিত জনগোষ্ঠীয় লেখক-শিবিৰ- দুধনৈ |
| ৭ -১০ নৱেম্বৰ '০৯ | ঃ | বৰাক উপত্যকা ভ্ৰমণ |
| ৫-৬ ডিচেম্বৰ '০৯ | ঃ | আজীৱন সভ্যৰ কেন্দ্ৰীয় অভিৱৰ্তন - নগাঁও |
| ১৭ ডিচেম্বৰ '০৯ | ঃ | শৰৎ চন্দ্ৰ গোস্বামী স্মৃতি দিৱস |
| | | সাংগঠনিক সপ্তাহ - নলবাৰী জিলা সাহিত্য সভা |
| | | শৈলধৰ ৰাজখোৱা বঁটা প্ৰদান- গুৱাহাটীত |
| ১৮ ডিচেম্বৰ '০৯ | ঃ | পদ্মপাৰা আঞ্চলিক সাহিত্য মছলিজৰ সহযোগত জাতীয় চেতনা দিৱস |
| ২৬ ডিচেম্বৰ '০৯ | ঃ | লখীমপুৰ জিলা সাহিত্য সভাৰ সহযোগত পদ্মনাথ গোহাঞিবৰুৱা স্মৃতি |
| ২৭ ডিচেম্বৰ '০৯ | | দিৱস আৰু অসম সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱস |
| ৩১ ডিচেম্বৰ '০৯ | ঃ | নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ মৃত্যু দিৱস — লক্ষীপুৰ, গোৱালাপাৰা |
| ১ জানুৱাৰী '১০ | ঃ | অৰুণোদই দিৱস- অমৃতভূষণ দেৱ অধিকাৰীৰ স্মৃতিত — দলগোমা, গোৱালপাৰা |
| ৩-৭ জানুৱাৰী '১০ | ঃ | দুলীয়াজান সাহিত্য সভাৰ সহযোগত ভাওনা সমাৰোহ |
| ১৭ জানুৱাৰী '১০ | ঃ | কেন্দ্ৰীয় শিল্পী দিৱস — তেজপুৰ সাহিত্য সভাৰ সহযোগত |
| ১ ফেব্ৰুৱাৰী '১০ | ঃ | অসম সাহিত্য উৎসৱ, ৰ'থাতলাংছ' |
| ২-৪ ফেব্ৰুৱাৰী '১০ | ঃ | অসম সাহিত্য সভাৰ ষষ্ঠ বাৰ্ষিক অধিৱেশন — ৰ'থাতলাংছ' |

সাংগঠনিক সভা আৰু প্ৰথম পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সভাৰ সিদ্ধান্ত অনুসৰি আমি ইতিমধ্যে বিভিন্ন উপ-সমিতি গঠন কৰি সভাৰ কাম-কাজ গতিশীল কৰিবলৈ প্ৰযত্ন কৰিছোঁ। উপ-সমিতিসমূহে ইতিমধ্যে বিভিন্ন স্তৰত

*সিপিঠিত ..*

নিজৰ নিজৰ কাম-কাজ আৰম্ভ কৰিছে। সভাৰ বৰ্তমানৰ ২০০৯-২০১১ বৰ্ষৰ কাৰ্যনিৰ্বাহক সমিতি আৰু বিভিন্ন উপ-সমিতিসূহ এনেধৰণৰ-

অসম সাহিত্য সভাৰ ২০০৯-২০১১ বৰ্ষৰ কাৰ্যনিৰ্বাহক সমিতিঃ **ৰংবং তেৰাং, সভাপতি, অসম সাহিত্য সভা ; কনক চন্দ্ৰ শৰ্মা, উপ-সভাপতি, অসম সাহিত্য সভা ; ড° পৰমানন্দ ৰাজবংশী, প্ৰধান সম্পাদক, অসম সাহিত্য সভা ; বিনন্দ বৰুৱা, সহকাৰী সম্পাদক, অসম সাহিত্য সভা, কেন্দ্ৰীয় কাৰ্যালয়, যোৰহাট ; দেৱপ্ৰসাদ তালুকদাৰ, সহকাৰী সম্পাদক, অসম সাহিত্য সভা, গুৱাহাটী কাৰ্যালয়; বিদুল বৰুৱা, সহকাৰী সম্পাদক, অসম সাহিত্য সভা, ডিফু ; উদয়ন চক্ৰৱৰ্তী, সহকাৰী সম্পাদক, অসম সাহিত্য সভা, ধুবুৰী আঞ্চলিক কাৰ্যালয়; প্ৰহ্লাদ চন্দ্ৰ তাছা, সহকাৰী সম্পাদক, অসম সহিত্য সভা, ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয় ; কিশোৰ কুমাৰ জৈন, ধনভঁৰালী, অসম সাহিত্য সভা, ভূপেন শইকীয়া, ভাষা-জ্ঞান পৰীক্ষা সংসদৰ সচিব, অসম সাহিত্য সভা ; ডক্টৰ উপেন ৰাভা হাকাচাম, পত্ৰিকা সম্পাদক, অসম সাহিত্য সভা, জয়ন্ত বৰুৱা, আহ্বায়ক, জাতীয় ন্যাস পুঁজি, অসম সাহিত্য সভা ; পৱিত্ৰ বৰবৰা, আহ্বায়ক, চাহ বাগিচা উপ-সমিতি ; অহিদ খান, আহ্বায়ক, চৰ-চাপৰি উপ-সমিতি; ৰাধা বৰা, আহ্বায়ক, অসম সাহিত্য সভা প্ৰকল্প ; <u>*মনোনীত সদস্যসকল ঃ-*</u> মিলেশ্বৰ পাতৰ, মৰিগাঁও ; অৰুণ কুমাৰ বৰগয়াৰী, কোকৰাঝাৰ ; ছহিৰুদ্দিন আলি আহমেদ, দৰং ; ড° কুতুবুদ্দিন আহমেদ, যোৰহাট ; ড° পল্লৱী ডেকা বুজৰবৰুৱা, ডিব্ৰুগড় ; ধনেশ্বৰ ইংতি, ডিফু ; ভৱ গোস্বামী, আইন উপদেষ্টা, যোৰহাট ; হবিবৰ ৰহমান, আইন উপদেষ্টা, অসম সাহিত্য সভা, গুৱাহাটী ; অজিত প্ৰসাদ শৰ্মা, গুৱাহাটী ; ভবানীপ্ৰসাদ অধিকাৰী, গুৱাহাটী ; <u>*জিলাৰ প্ৰতিনিধিসকল ঃ-*</u> শশীন ডেকা, গিয়াছ উদ্দিন আহমেদ, নোমল চন্দ্ৰ গগৈ, নগেন বৰা, ড° নৰেন কলিতা, সুভাষ চন্দ্ৰ দাস, খগেন গোস্বামী, শৈলেন কুমাৰ ৰাজবংশী, বদন শৰ্মা, হৰেন্দ্ৰ বৰা, শ্ৰীধৰণীধৰ মেধি, ডাঃ হৰেন শইকীয়া, শ্ৰীগণেশ চন্দ্ৰ নাথ, খনীন্দ্ৰ নাথ দাস, কমল কছাৰী, শ্ৰীপৰশুৰাম তামুলী, দিলোৱাৰ হুছেইন, ডাঃ বিশ্ববিহাৰী দাস, পদ্মেশ্বৰ দিহিঙ্গীয়া <u>*বিশেষভাৱে আমন্ত্ৰিত সদস্যসকল ঃ-*</u> নাৰায়ণ চন্দ্ৰ গোস্বামী, হীৰেন শইকীয়া, দিলীপ বৰা, ইছমাইল হোছেইন, ড° জ্যোৎস্না ৰাৱত, যাদৱ চন্দ্ৰ শৰ্মা, হেমেন হাজৰিকা, সমীৰণ বৰদলৈ, সঞ্জু বৰা, অনুপ কুমাৰ বৰঠাকুৰ, <u>*প্ৰয়োজনসাপেক্ষে আমন্ত্ৰিত সদস্যসকল ঃ*</u> ফুলেন্দ্ৰ নাথ চহৰীয়া, ড° দয়ানন্দ পাঠক, হেমন্ত কুমাৰ দত্ত, ৰামচৰণ পাঠক, উপেন কুমাৰ বৰুৱা, প্ৰফুল্ল চন্দ্ৰ বৰা, শংকৰ ভূঞা, চানাৰাম কলিতা, ৰবীন দাস, হেম নাৰায়ণ দত্ত, ড° অনিল শইকীয়া, লোকেন্দ্ৰ হাজৰিকা, নিবেদিতা বড়া সন্দিকৈ, পুষ্পা গগৈ, মাণিক শইকীয়া, মিহিৰ কুমাৰ বৰুৱা, মাণিক আহমেদ, সূৰ্য হাজৰিকা, তৰুণ আজাদ ডেকা, বিপুল শৰ্মা বৰুৱা, লাচিত কলিতা, গিৰীন্দ্ৰ নাথ ডেকা, পৱনকুমাৰ বৰুৱা, ভূৱনেশ্বৰ ডেকা, ভূপেন কুমাৰ দাস, মুকুট বৰগোহাঞি, কৰুণাকান্ত ৰায়, অশ্বিনী তালুকদাৰ, আব্দুল বাৰিক মোল্লা, হবিবৰ ৰহমান (ধুবুৰী), ভবেশ ৰাজবংশী, ৰমেন নাথ, সতীশ কাকতি, অনিল সিং, গোবিন্দ কলিতা, ঘটেশ্বৰ বৰুৱা, নিৰদেন্দু ৰয়, খনীন আলিগাটগিৰি, আব্দুল কাদিৰ আহমেদ, হৰিশ সোণোৱাল, শংকৰ দাস, সুৰেন দত্ত, অতুল শৰ্মা, কাপুৰচান্দ জৈন, দেৱীপ্ৰসাদ বাগ্ৰদিয়া।**

<u>অসম সাহিত্য সভাৰ উপ-সমিতিসমূহ</u> ঃ

**<u>বিত্ত উপ-সমিতি</u>** ঃ সভাপতি, অসম সাহিত্য সভা; উপ-সভাপতি, অসম সাহিত্য সভা ; প্ৰধান সম্পাদক, অসম সাহিত্য সভা ; কৈলাশ লোহিয়া, অশোক কুমাৰ ধানুকা, কমল কুমাৰ জৈন, প্ৰদীপ ভৰেচ, ৰাজীৱ বৰুৱা, অমিত কুমাৰ জৈন, বল্লভ তালুকদাৰ, দীনেশ ভট্টাচাৰ্য, কিশোৰ কুমাৰ জৈন।

*সিপিঠিত ..*

**পত্ৰিকা সম্পাদনা সমিতি ঃ** সভাপতি, অসম সাহিত্য সভা, প্ৰধান সম্পাদক, অসম সাহিত্য সভা, থানেশ্বৰ মালাকাৰ, হৰপ্ৰিয়া বাৰুকিয়াল বৰগোহাঞি, পৰিতোষ চক্ৰৱৰ্তী, ড° উপেন ৰাভা হাকাচাম, পত্ৰিকা সম্পাদক (আহ্বায়ক)

**সাংস্কৃতিক উপ-সমিতি ঃ** উপদেষ্টাসকল ঃ অৰুণ শৰ্মা, যতীন গোস্বামী , কৃষ্ণ ৰয় , দুলাল ৰয় , কুল শইকীয়া ; সভাপতি ঃ কুমাৰ দীপক দাস, সাংসদ, ৰাজ্যসভা ; কাৰ্যবাহী সভাপতিঃ বিপুল দেউৰী ; উপ-সভাপতি সকল ঃ দেবেশ শৰ্মা, নয়নপ্ৰসাদ , ভূপেন গোস্বামী, সঞ্জীৱ বৰগোহাঞি , চন্দন শৰ্মা ; আহ্বায়ক ঃ মানিক আহমেদ, সহঃ আহ্বায়ক ঃ কল্পনা বৰুৱা, গুলেন গগৈ ; সদস্য/সদস্যা ঃ চেতনা দাস, প্ৰদীপ পূজাৰী , আজগৰ আহমেদ, নচিফা ৰাজবংশী, গিয়াছুদ্দিন আহমেদ, সংগীতা দেৱী, ৰতন কলিতা, পৰিণীতা বুজবৰুৱা, নীলাক্ষি কলিতা, জ্যোৎস্না ডেকা, নাজিয়া আহমেদ , ৰাহুল দেৱ ৰাজবংশী।

**সংগীতাচাৰ্য্য লক্ষ্মীৰাম বৰুৱা অৰৰক্ষণ উপ-সমিতি ঃ** ৰংবং তেৰাং, সভাপতি, অসম সাহিত্য সভা ; কনক চন্দ্ৰ শৰ্মা, উপ-সভাপতি, অসম সাহিত্য সভা ; ড° পৰমানন্দ ৰাজবংশী, প্ৰধান সম্পাদক, অসম সাহিত্য সভা, দেৱপ্ৰসাদ তালুকদাৰ, সহকাৰী সম্পাদক, অসম সাহিত্য সভা; মৃণালকান্তি চক্ৰৱৰ্তী, সচিব, অসম সাহিত্য সভা; *ন্যাসদাতা পক্ষৰ পৰা* - জয়ন্ত কুমাৰ বৰুৱা, গুৱাহাটী ; লখিমী বৰুৱা, গুৱাহাটী ; কৃষ্ণমূৰ্তি বৰুৱা, গুৱাহাটী

**ভগৱতী প্ৰসাদ বৰুৱা অৰৰক্ষণ উপ-সমিতি ঃ** সভাপতি, অসম সাহিত্য সভা ; উপ-সভাপতি, অসম সাহিত্য সভা; প্ৰধান সম্পাদক, অসম সাহিত্য সভা ; ধন ভঁৰালী, অসম সাহিত্য সভা ; সান্ত্বনা বৰুৱা, প্ৰণৱিৰাম বৰুৱা, ধনপৎ ৰায় শেঠিয়া, জয়ন্ত তালুকদাৰ, গগন চন্দ্ৰ অধিকাৰী, প্ৰতিমা বৰুৱা, বেলতলা, মৃণালিনী দেৱী, সঞ্জীৱ শৰ্মা, দিশপুৰ কলেজ, দেৱপ্ৰসাদ তালুকদাৰ- আহ্বায়ক।

**নবীন প্ৰতিভা বিকাশ উপ-সমিতি ঃ** সভাপতি ঃ অনুৰাধা শৰ্মা পূজাৰী ; উপ-সভাপতিসকল ঃ তাইজুদ্দিন হুছেইন বৰা , মীনা কুমাৰী ৰায়মেধি, পদুমী গগৈ, পৰমানন্দ মজুমদাৰ , আহ্বায়ক ঃ ড° শ্বামীম আখতাৰ ; সহ ঃ আহ্বায়ক ঃ বিতোপ বৰবৰা , নিকুমণি হুছেইন সদস্য-সদস্যাসকল ঃ ৰাজীৱ ফুকন, ড° বিভা ভৰালী, অঞ্জলি দৈমাৰী, অতনু চৌধুৰী, ৰঞ্জুমণি গগৈ, ৰঞ্জিৎ দাস, যোগেশ ডেকা

**চিকিৎসা সেৱা উপ-সমিতি ঃ** উপদেষ্টাসকল ঃ ৰেনুকাদেৱী বৰকটকী, কৰ্ণেল বেনুধৰ বৰগোহাঁই, ডাঃ অৰনী কুমাৰ গোস্বামী, ডাঃ ইলিয়াছ আলি, ডাঃ হিতেশ বৰুৱা, ডাঃ মনোজ মিৰ্ধা, ডাঃ ইন্দ্ৰ হাজৰিকা। সভাপতি ঃ ড° বলেন্দ্ৰ কুমাৰ দাস, কাৰ্যকৰী সভাপতি ঃ হৰিচৰণ দলৈ, উপ-সভাপতিসকল ঃ নবীন চন্দ্ৰ শৰ্মা, পবিত্ৰ কুমাৰ কলিতা, মুখ্য আহ্বায়ক ঃ পুতলী কায়স্থ, আহ্বায়ক - মানসী বৰুৱা, সহঃ আহ্বায়কসকল ঃ কিৰণ মহন্ত, দুলেন বৰা, জিয়াউৰ ৰহমান, অতুল চন্দ্ৰ শৰ্মা।

**আইন সাহায্য সেৱা উপ-সমিতি ঃ** সভাপতি ঃ ভৱ গোস্বামী, আহ্বায়ক- হবিবৰ ৰহমান, সদস্যসকল- কৌস্তুভ গগৈ, ভূপেন শৰ্মা, প্ৰসেনজিৎ গোস্বামী।

**প্ৰচাৰ আৰু প্ৰসাৰণ উপ-সমিতি ঃ সভাপতি -** হাইদৰ হুছেইন, **উপ-সভাপতিসকল -** বিনোদ ৰিংগানিয়া, বলেন কলিতা, হেমন্ত ভৰালী, **আহ্বায়কদ্বয় -** মামণি গোস্বামী, মনোজ কুমাৰ বৰুৱা, **সদস্য-সদস্যা-** বিকাশজ্যোতি বৰুৱ, ডিম্বেশ্বৰ ৰায়, অনমিত্ৰ গগৈ , ৰাজীৱ কোঁৱৰ , ভুবন চেতিয়া , দেৱজিৎ বৰদলৈ, প্ৰবীণ ঠাকুৰীয়া, হেম ভৰালী, দৰ্শনা গোস্বামী, অৰিন্দম ৰয়, চম্পত মিশ্ৰ, নিতুপৰ্ণ ৰাজবংশী, মৌচুমী ডেকা, খনীন দাস, আব্দুল চাজ্জিদ, মনি মহন্ত, পংকজ দত্ত, হৰেন গগৈ, ৰঞ্জিতা ৰাভা, ছফৰ আহমেদ, শংকৰ গোহাঞি, বুলবুল ৰাজবংশী।

**আন্তঃৰাজ্যিক ভাৱ-বিনিময় উপ-সমিতি ঃ সভাপতি -** আনিছ উজ জামান, **কাৰ্যকৰী সভাপতি -** ড° দীনেশ বৈশ্য, **উপ-সভাপতিসকল -** মীৰা ঠাকুৰ, মনজিৎ সিং, নীলিম কুমাৰ ; **আহ্বায়কত্ৰয় -** হৃদয়ৰঞ্জন দাস , দীপাংক হাজৰিকা, ৰুমীলস্কৰ বৰা, **সদস্য-সদস্যা-** তুলতুল বৰুৱা, মঞ্জিৰা গগৈ ৰাজখোৱা, মণিকা দেৱী, জেনিফাৰ হুছেইন, দীপিকা ৰায়মেধি,কণিকা বৰদলৈ, ত্ৰৈলোক্য মোহন নাথ, কুশল দত্ত, দণ্ড শৰ্মা।

*সিপিঠিত ..*

**জাতীয় ন্যাস সমিতি ঃ সভাপতি**- ৰংবং তেৰাং, মাননীয় সভাপতি, অসম সাহিত্য সভা ; ড° পৰমানন্দ ৰাজবংশী, প্ৰধান সম্পাদক, অসম সাহিত্য সভা; মৃণাল কান্তি চক্ৰৱৰ্তী, সচিব, অসম সাহিত্য সভা; কিশোৰ কুমাৰ জৈন, ধনভঁৰালী, অসম সাহিত্য সভা; বিনন্দ বৰুৱা, সহকাৰী সম্পাদক, কেন্দ্ৰীয় কাৰ্যালয়, যোৰহাট; দেৱপ্ৰসাদ তালুকদাৰ, সহকাৰী সম্পাদক, গুৱাহাটী কাৰ্যালয় ; ড° নগেন শইকীয়া, মাননীয় প্ৰাক্তন সভাপতি, ডিব্ৰুগড়; নন্দ সিং (আহ্বায়ক); অৰুণ মহন্ত (কোষাধ্যক্ষ); কাপুৰচান্দ জৈন, গুৱাহাটী; ড° জিতাঞ্জলি বৰপূজাৰী, যোৰহাট

**ৱেবছাইট সমিতি ঃ সভাপতি**- ৰংবং তেৰাং, সভাপতি, অসম সাহিত্য সভা, কনক চন্দ্ৰ শৰ্মা, উপ-সভাপতি, অসম সাহিত্য সভা ; ড° পৰমানন্দ ৰাজবংশী, প্ৰধান সম্পাদক, অসম সাহিত্য সভা; ৰামচৰণ পাঠক ঃ ৱেবছাইট এডমিনিষ্ট্ৰেটৰ; মৃণালকান্তি চক্ৰৱৰ্তী, সচিব, অসম সাহিত্য সভা; ভবানীপ্ৰসাদ অধিকাৰী, প্ৰকাশন সচিব, অসম সাহিত্য সভা।

**জাতীয় শিক্ষা প্ৰতিষ্ঠান উপ-সমিতি ঃ** সভাপতি, অসম সাহিত্য সভা; উপ-সভাপতি, অসম সাহিত্য সভা; ড° বসন্ত কুমাৰ গোস্বামী, ডিব্ৰুগড় ; প্ৰবাল খাউণ্ড, ৰঞ্জন মহন্ত, ড° অজিত শইকীয়া, ড° সত্যকাম বৰঠাকুৰ, প্ৰহ্লাদ কুমাৰ তাছা, প্ৰধান সম্পাদক, অসম সাহিত্য সভা (আহ্বায়ক)।

**প্ৰকাশন সমিতি ঃ** সভাপতি, অসম সাহিত্য সভা, উপ-সভাপতি, অসম সাহিত্য সভা, প্ৰধান সম্পাদক, অসম সাহিত্য সভা, সতীশ চন্দ্ৰ চৌধুৰী, ভৱানী প্ৰসাদ অধিকাৰী (প্ৰকাশন সচিব), ড° বসন্ত কুমাৰ গোস্বামী, ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্তী, ৰাজেন্দ্ৰ মোহন শৰ্মা।

**'অসম সাহিত্য সভা সংবাদ' সম্পাদনা উপ-সমিতি ঃ** সভাপতি, অসম সাহিত্য সভা, উপ-সভাপতি, অসম সাহিত্য সভা, প্ৰধান সম্পাদক, অসম সাহিত্য সভা, সূৰ্য হাজৰিকা, মুখ্য সম্পাদক, সম্পাদক ঃ মিহিৰ কুমাৰ বৰুৱা, জিয়াউৰ ৰহমান, ; সহকাৰী সম্পাদক ঃ ডিম্বেশ্বৰ পাঠক, সদস্য ঃ কন্দৰ্প কুমাৰ শৰ্মা, ভৰেশ দাস।

*যোৰহাট কাৰ্যালয় ঃ*

**দানবীৰ ৰাধাকান্ত সন্দিকৈ ভৱন অৱৰক্ষণ সমিতি ঃ** সভাপতি, অসম সাহিত্য সভা, উপ-সভাপতি, অসম সাহিত্য সভা, প্ৰধান সম্পাদক, অসম সাহিত্য সভা, দাতাপক্ষৰ সদস্য, বিজয়কৃষ্ণ সন্দিকৈ , মহেশচন্দ্ৰ ভট্টাচাৰ্য, মাণিক শইকীয়া, দেৱজিৎ বৰা, ভৈৰৱ সন্দিকৈ, সহঃ সম্পাদক, যোৰহাট কাৰ্যালয়- আহ্বায়ক, **বিশেষভাৱে আমন্ত্ৰিত সদস্যসকল**- ড° কুতুবুদ্দিন আহমেদ, সমীৰণ বৰদলৈ, পৱিত্ৰ বৰবৰা, নগেন বৰা, ভৱ গোস্বামী

**চন্দ্ৰকান্ত সন্দিকৈ ভৱন অৱৰক্ষণ সমিতি ঃ** উপায়ুক্ত, সভাপতি ; সভাপতি, অসম সাহিত্য সভা; প্ৰধান সম্পাদক, অসম সাহিত্য সভা; দাতাপক্ষৰ সদস্য (বিজয়কৃষ্ণ সন্দিকৈ), শশীপ্ৰভা বৰগোহাঞি, মাণিক শইকীয়া, ভৈৰৱ সন্দিকৈ, প্ৰতাপ বৰুৱা, সহঃ সম্পাদক, যোৰহাট কাৰ্যালয়, আহ্বায়ক, **বিশেষভাৱে আমন্ত্ৰিত সদস্যসকল**- ড° কুতুবুদ্দিন আহমেদ, সমীৰণ বৰদলৈ, পৱিত্ৰ বৰবৰা, নগেন বৰা, ভৱ গোস্বামী।

**সূৰেন্দ্ৰ ভৱন অৱৰক্ষণ সমিতি ঃ** সভাপতি, অসম সাহিত্য সভা, প্ৰধান সম্পাদক, অসম সাহিত্য সভা, এন. গোবিন্দ সিংহ, দেৱজিৎ বৰা, ভৈৰৱ সন্দিকৈ, মাণিক শইকীয়া, ড° প্ৰদীপ কুমাৰ বৰুৱা, হেম নাৰায়ণ দত্ত, সহঃ সম্পাদক, যোৰহাট কাৰ্যালয়, আহ্বায়ক, **বিশেষভাৱে আমন্ত্ৰিত সদস্যসকল**- ড° কুতুবুদ্দিন আহমেদ, শ্ৰীসমীৰণ বৰদলৈ, শ্ৰীপৱিত্ৰ বৰবৰা, শ্ৰীনগেন বৰা, শ্ৰীভৱ গোস্বামী

*ডিফু কাৰ্যালয় ঃ*

**ৰাংছিনা ভৱন অৱৰক্ষণ উপ-সমিতি ঃ** সভাপতি, অসম সাহিত্য সভা ; প্ৰধান সম্পাদক, অসম সাহিত্য সভা ; সভাপতি, ডিফু সাহিত্য সভা ; সম্পাদক, ডিফু সাহিত্য সভা; সভাপতি, কাৰ্বি আংলং জিলা সাহিত্য সভা ; দেবেন কাকতি, উপ-সভাপতি, কাৰ্বি আংলং জিলা সাহিত্য সভা; সম্পাদক, কাৰ্বি আংলং সাহিত্য সভা ;

*সিপিঠিত ..*

কৰুণাকান্ত ভৰালী, প্ৰাক্তন সহকাৰী সম্পাদক, অসম সাহিত্য সভা, ডিফু ; কামিনী দাস, প্ৰাক্তন সহকাৰী সম্পাদক, অসম সাহিত্য সভা, ডিফু ; পাৰি ৰংপি, প্ৰাক্তন সহকাৰী সম্পাদক, অসম সাহিত্য সভা, ডিফু ; বিদুল বৰুৱা, সহকাৰী সম্পাদক, অসম সাহিত্য সভা, ডিফু কাৰ্যালয়, (আহ্বায়ক)

*ধুবুৰী কাৰ্যালয় ঃ*

**ধুবুৰী কাৰ্যালয় অৰৰক্ষণ সমিতি ঃ** সভাপতি, অসম সাহিত্য সভা ; প্ৰধান সম্পাদক, অসম সাহিত্য সভা ; পাচুগোপাল চক্ৰৱৰ্তী, ৰমেশ চন্দ্ৰ নাথ, গিয়াছুদ্দিন আহমেদ, গিৰীন্দ্ৰ নাথ গোস্বামী, অকন বায়ন, উদয়ন চক্ৰৱৰ্তী, সহকাৰী সম্পাদক, ধুবুৰী আঞ্চলিক কাৰ্যালয় (আহ্বায়ক)

*ডিব্ৰুগড় কাৰ্যালয় ঃ*

**ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয় অৰৰক্ষণ সমিতিঃ** সভাপতি ঃ ড° নগেন শইকীয়া, মাননীয় প্ৰাক্তন সভাপতি, অসম সাহিত্য সভা; আহ্বায়ক ঃ প্ৰহ্লাদ চন্দ্ৰ তাছা, সহকাৰী সম্পাদক, ডিব্ৰুদড় আঞ্চলিক কাৰ্যালয়; কিশোৰ কুমাৰ জৈন, ধনভঁৰালী, অসম সাহিত্য সভা; দেৱীপ্ৰসাদ বাগ্ৰদিয়া-অসম সাহিত্য সভাৰ প্ৰতিনিধি ; ভূৱন মোহন গোস্বামী-অসম সাহিত্য সভাৰ প্ৰতিনিধি; কৃষ্ণ চহৰীয়া- দাতা পক্ষৰ প্ৰতিনিধি; কিৰণ গগৈ, সভাপতি, ডিব্ৰুগড় জিলা সাহিত্য সভা, লক্ষ্মীনাথ গগৈ, সভাপতি, ডিব্ৰুগড় সাহিত্য সভা, ড° পল্লৱী ডেকা বুজৰবৰুৱা, বিনোদ বৰা আৰু ভাৰতী দত্ত।

*গ্ৰন্থ প্ৰকাশনৰ ক্ষেত্ৰত গঠন কৰা বিভিন্ন গ্ৰন্থ সম্পাদনা সমিতি আৰু বিষয়-ববীয়া আৰু সদস্য/সদস্যাসকলৰ নাম ঃ*

(১) **অসম লেখক-কোষ** ঃ উপদেষ্টা ঃ যতীন গোস্বামী, সভাপতি ঃ হৰিশ সোণোৱাল, কাৰ্যকৰী সভাপতি ঃ তবিউল হুছেইন, উপ-সভাপতিসকল ঃ হৰিপ্ৰসাদ চলিহা, ভুৱনেশ্বৰ ডেকা, ড° প্ৰফুল্ল কুমাৰ নাথ, ড° ইববাত আলী, মুখ্য সম্পাদক ঃ পৰন কুমাৰ বৰুৱা, সম্পাদক ঃ অৰূপা বৰুৱা, সহযোগী সম্পাদকসকল ঃ মঞ্জু দত্ত বৰুৱা, বৰ্ণালী চেতিয়া, নচিফা ৰাজবংশী, সহকাৰী সম্পাদকসকল ঃ জিয়াউৰ ৰহমান, মনোজ কুমাৰ দাস, ৰঞ্জিৎ শৰ্মা, দৰ্শনা নেওগ বৰা

(২) **এশ বছৰৰ অসমীয়া উপন্যাস** ঃ মুখ্য সম্পাদক ঃ ড° গোবিন্দপ্ৰসাদ শৰ্মা, সম্পাদকসকল ঃ ড° দিলীপ বৰা, অচ্যুৎ কুমাৰ শৰ্মা, সহযোগী সম্পাদকসকল ঃ ড° জিতাঞ্জলি বৰপূজাৰী, ড° বিনীতা দেৱচৌধুৰী, পাঠশালা, ড° অজিৎ শইকীয়া।

(৩) **অসমৰ সংগীত ঃ ঐতিহ্য আৰু পৰম্পৰা** ঃ সভাপতি ঃ ড° কেশৱানন্দ দেৱগোস্বামী, উপ-সভাপতি ঃ ড° পবিত্ৰ প্ৰাণ গোস্বামী, মুখ্য সম্পাদক ঃ ড° অনিল শইকীয়া, সম্পাদক ঃ ড° মল্লিকা কন্দলী, সম্পাদক ঃ ড° পৰিণীতা বুজৰবৰুৱা।

(৪) **শ্ৰীমন্ত শংকৰদেৱ কোষ** ঃ ৰংবং তেৰাং, সভাপতি, অসম সাহিত্য সভা; কনক চন্দ্ৰ শৰ্মা, উপ-সভাপতি, অসম সাহিত্য সভা ; ড° পৰমানন্দ ৰাজবংশী, প্ৰধান সম্পাদক, অসম সাহিত্য সভা; মুখ্য সম্পাদক ঃ নাৰায়ণ চন্দ্ৰ দেৱগোস্বামী, সদস্য-সদস্যাসকল ঃ ড° সঞ্জীৱ কুমাৰ বৰকাকতি, ইছমাইল হোছেইন, ড° মহেশ্বৰ হাজৰিকা, ড° নাৰায়ণ দাস, ড° ইন্দিৰা শইকীয়া বৰা

সিপিঠিত ..

(৫) **অসমৰ নাট্য কোষ ঃ** সভাপতি ঃ যোগেন চেতিয়া, উপ-সভাপতিসকল ঃ ড° অখিল চক্ৰৱৰ্তী, হেমন্ত দত্ত, মুখ্য সম্পাদক ঃ ড° পোনা মহন্ত, সম্পাদকসকল ঃ ড° ভাস্কৰজ্যোতি বৰা, ড° ভবেন কলিতা, সহযোগী সম্পাদকসকলঃ পংকজ মুদিয়াৰ, প্ৰণৱ কুমাৰ শৰ্মা।

(৬) **অসমীয়া ব্যংগ সাহিত্য ঃ** সভাপতি ঃ ভদ্ৰ বৰা, গুৱাহাটী; উপ-সভাপতিসকল ঃ ৰিজু হাজৰিকা, গুৱাহাটী; প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য, গুৱাহাটী; মুখ্য সম্পাদক ঃ ড° লীনা ডেকা, নলবাৰী ; সম্পাদকসকল ঃ দাসো কলিতা, গুৱাহাটী; ড° মুকুল চক্ৰৱৰ্তী, গুৱাহাটী বিশ্ববিদ্যালয়

(৭) **অসমৰ জনজাতি কোষ ঃ** সভাপতি ঃ ড° প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য, গুৱাহাটী; উপ-সভাপতিসকল ঃ নৰকান্ত বৰদলৈ, মৰিগাঁও, ড° গণেশ পেগু ; মুখ্য সম্পাদক ঃ ড° মলিনা দেৱী ৰাভা ; সম্পাদকসকল ঃ ড° বিমল মজুমদাৰ, ৰত্নেশ্বৰ বসুমতাৰী, নন্দেশ্বৰ দেউৰী, ধীৰেশ্বৰ বৰ' নাৰ্জী, সহযোগী সম্পাদকসকল ঃ মণিৰাম বড়ো, কৰবী খেৰকটাৰী, মালবিকা খাখলাৰী

(৮) **এশ বছৰৰ অসমীয়া নাট্য-সাহিত্য ঃ** সভাপতি ঃ ৰত্ন ওজা ; উপ সভাপতিসকল ঃ পবিন্দ্ৰ ডেকা, জিতেন শৰ্মা; মুখ্য সম্পাদক ঃ ড° দয়ানন্দ পাঠক, গুৱাহাটী; সম্পাদকসকল ঃ নৰেন পাটগিৰি ; সহযোগী সম্পাদক ঃ নিতু চহৰীয়া, কৰবী মহন্ত

(৯) **এশ বছৰৰ অসমীয়া বিজ্ঞান-সাহিত্য ঃ** সভাপতি ঃ ড° ক্ষীৰধৰ বৰুৱা ; উপ সভাপতি ঃ ড° নীলিমা শইকীয়া ; মুখ্য সম্পাদক ঃ পৰমানন্দ মজুমদাৰ; সম্পাদকসকল ঃ ড° মৃণাল কলিতা, শান্তনু কৌশিক বৰুৱা, গুৱাহাটী

(১০) **অসমৰ ভাষাতত্ত্ব কোষ ঃ** সভাপতি ঃ ড° ৰমেশ পাঠক, লখিমীনগৰ, ; উপ সভাপতি ঃ ড° লীলাৱতী শইকীয়া বৰা, মুখ্য সম্পাদক ঃ ড° দীপ্তি ফুকন পাটগিৰী, গুৱাহাটী বিশ্ববিদ্যালয়; সম্পাদকসকলঃ ড° বিভা ভৰালী, গুৱাহাটী বিশ্ববিদ্যালয় ; সহকাৰী সম্পাদক ঃ ড° কল্পনা তালুকদাৰ; সহকাৰী সম্পাদকঃ বনানী চক্ৰৱৰ্তী

(১১) **এশ বছৰৰ অসমীয়া জীৱনী-সাহিত্য ঃ** সভাপতি ঃ উপেন্দ্ৰ বৰকটকী ; উপ-সভাপতিসকল ঃ প্ৰফুল্ল তামুলী, ঘনশ্যাম শইকীয়া, মুখ্য সম্পাদক ঃ ড° অঞ্জলি শৰ্মা, সম্পাদকসকল ঃ ড° ভৃগুমোহন গোস্বামী, মাধৱ দত্ত, সমীন কলিতা

(১২) **এশ বছৰৰ অসমীয়া গীতি-সাহিত্য ঃ** সভাপতি ঃ ইদ্ৰিছ আলি ; উপ-সভাপতি ঃ ড° পৰাগকুমাৰ ভট্টাচাৰ্য; মুখ্য সম্পাদক ঃ এলি আহমেদ; সম্পাদক ঃ ড° ৰামচন্দ্ৰ ডেকা; সম্পাদক ঃ ড° সৰলা ভূঞা; সহযোগী সম্পাদকঃ ঘটেশ্বৰ বৰুৱা; সহযোগী সম্পাদকঃ বৈকুণ্ঠ ৰাজবংশী

(১৩) **অসমীয়া কাব্য কোষ ঃ** মুখ্য সম্পাদক **ঃ ড°** কৰবী ডেকা হাজৰিকা, ডিব্ৰুগড় বিশ্ববিদ্যালয়; সম্পাদকঃ মৃণালকুমাৰ গগৈ, ডিগবৈ মহাবিদ্যালয়; সম্পাদকঃ ড° কামালুদ্দিন আহমেদ, গুৱাহাটী বিশ্ববিদ্যালয়

(১৪) **এশ বছৰৰ অসমীয়া চুটি গল্প ঃ** সভাপতি **ঃ ড°** প্ৰফুল্ল কুমাৰ বৰুৱা; উপ-সভাপতি ঃ ইমৰাণ শ্বাহ, মুখ্য সম্পাদক ঃ প্ৰফুল্ল চন্দ্ৰ বৰা, দেৰগাঁও; সম্পাদকঃ শিৱানন্দ কাকতি; সহযোগী সম্পাদকঃ অৰূপকুমাৰ নাথ

(১৫) **এশ বছৰৰ অসমীয়া কবিতা ঃ** সভাপতি **ঃ ড°** নমিতা ডেকা, উপ-সভাপতি ঃ ফুলকুমাৰী কলিতা, মুখ্য সম্পাদক ঃ ড° পূৰ্ণ ভট্টাচাৰ্য, সম্পাদকসকল ঃ ড° অৰ্চনা পূজাৰী, ড° মৰমী বৰঠাকুৰ তালুকদাৰ, সহকাৰী সম্পাদক ঃ নৰহৰি চুতীয়া

*সিপিঠিত ..*

*জিলা আৰু শাখা সভাই বিশেষ গুৰুত্ব দিবলগীয়া দিশসমূহ ঃ*

১। অহা ২০১০ চনৰ ডিচেম্বৰ মাহৰ ভিতৰতেই প্ৰথম বাৰ্ষিক অধিৱেশন পাতি আগতে উল্লেখ কৰা নথি-পত্ৰসমূহ আঞ্চলিক কাৰ্যালয়ৰ জৰিয়তে কেন্দ্ৰীয় কাৰ্যালয়লৈ প্ৰেৰণ কৰক।

২। অধিৱেশনত অনুষ্ঠিত নকৰা আৰু একোজন ব্যক্তিয়ে একেলেঠেৰীয়ে কেবাবছৰো ধৰি সভাপতি/সম্পাদকৰ দায়িত্বত থকা শাখাসমূহক নিষ্ক্ৰিয় বুলি গণ্য কৰা হ'ব।

৩। অসম লেখক-কোষৰ বাবে জিলা আৰু শাখাই সংশ্লিষ্ট উপ-সমিতিক দায়িত্ব দি ২০০৯ খ্ৰীষ্টাব্দৰ ছেপ্টেম্বৰ মাহৰ ভিতৰতেই প্ৰ-প্ৰত্ৰসমূহ পূৰণ কৰি কেন্দ্ৰীয় সমিতিলৈ পঠিয়াওক।

৪। নবীন লেখক-লেখিকাসকলৰ উৎকৃষ্ট মানদণ্ড সম্পন্ন গ্ৰন্থ যদি আছে তেন্তে কেন্দ্ৰীয় সমিতিলৈ পঠিয়াওক। নিম্ন মধ্যবিত্ত লেখক-লেখিকাসকলক ৩০০০.০০ (তিনি হাজাৰ) টকাকৈ গ্ৰন্থ প্ৰকাশৰ বাবে বিত্তীয় সাহায্য, বিনামূলীয়া গ্ৰন্থ প্ৰকাশ, পি.এইচ. ডি., এম.ফিলৰ বাবেও ফেল'শ্বিপ প্ৰদান কৰাৰ বাবে অসম সাহিত্য সভাই কামত অগ্ৰসৰ হৈছে। এই সন্দৰ্ভত বিস্তৃতভাৱে জানিবলৈ আগষ্ট মাহৰ ভিতৰত কেন্দ্ৰীয় সমিতিৰ সৈতে যোগাযোগ কৰক।

৫। অসম সাহিত্য সভাই নিম্ন মধ্যবিত্ত পৰিয়ালৰ দুৰাৰোগ্য শিল্পী আৰু সাহিত্যিকক চিকিৎসাসেৱা প্ৰৱৰ্তনৰ বাবে এখনি আঁচনি যুগুত কৰিছে। অহা ছেপ্টেম্বৰ মাহৰ পৰা আঁচনিখন ৰূপায়ণ কৰাৰ বাবে মনস্থ কৰিছে। জুলাই মাহৰ ভিতৰত এই সম্পৰ্কীয় বিশদ তথ্য জিলা সভাক জনোৱা হ'ব।

৬। আন্তঃৰাজ্যিক ভাৱ বিনিময় কাৰ্যসূচীৰ অধীনত প্ৰত্যেক বছৰে একো একোটা শিল্পী সাহিত্যিকৰ দল বিভিন্ন ৰাজ্যলৈ প্ৰেৰণ কৰিবলৈ অসম সাহিত্য সভাই এখনি আঁচনি প্ৰস্তুত কৰিছে। জিলা সভাক ইচ্ছুক লেখক-লেখিকাৰ পাঁচজনীয়া তালিকা কেন্দ্ৰীয় সমিতিলৈ অহা আগষ্ট মাহৰ ভিতৰত প্ৰেৰণ কৰক। লগতে লেখক-শিল্পীৰ জীৱনপঞ্জীও প্ৰেৰণ কৰিব।

৭। প্ৰত্যেকখন জিলা সাহিত্য সভাই নিজৰ জিলাৰ সাংস্কৃতিক বুৰঞ্জী প্ৰণয়নত গুৰুত্ব দিয়ক। ২০১১ খ্ৰীষ্টাব্দৰ ছেপ্টেম্বৰ মাহৰ ভিতৰত এই বুৰঞ্জীৰ কাম সম্পন্ন কৰক।

৮। শ্ৰেষ্ঠ জিলা আৰু শাখা সভা এইবেলি বিশেষভাৱে পুৰস্কৃত হ'ব। সংশ্লিষ্ট জিলা আৰু শাখাৰ একোটা দলৰ আন্তঃৰাজ্যিক ভাৱ বিনিময়ৰ কাৰ্যসূচীত অগ্ৰাধিকাৰ দিয়া হ'ব।

৯। চাহ-বাগিছা আৰু চৰ-চাপৰি অধ্যুষিত জিলাসমূহে একোজন চাহ-বাগিছা উপ-সমিতিৰ আহ্বায়ক আৰু চৰ-চাপৰি উপ-সমিতিৰ আহ্বায়ক মনোনীত কৰি উপ-সমিতি গঠন কৰি নাম-তালিকা প্ৰেৰণ কৰক।

১০। প্ৰত্যেকজন জিলা সভাই নিজস্ব প্ৰশাসনীয় জিলাৰ সদৰত একোখন ভাষা-জ্ঞান-শিক্ষণ কেন্দ্ৰ গঢ়ি অনা-অসমীয়াসকলক অসমীয়া ভাষা শিকোৱাৰ ব্যৱস্থা গ্ৰহণ কৰক। ইয়াৰ বাবে অসম সাহিত্য সভাৰ ভাষা-জ্ঞান সংসদৰ সচিবৰ সৈতে যোগাযোগ কৰক।

*অসম সাহিত্য সভাৰ ৱেবছাইট আৰু ই-মেইল ঠিকনা ঃ*

ৱেবছাইট ঃ www.asamsahityasabha.com আৰু www.nssss.org
ই-মেইল ঠিকনা ঃ asam.sahitya.sabha@gmail.com

**পৰমানন্দ ৰাজবংশী**
প্ৰধান সম্পাদক
অসম সাহিত্য সভা